মহামিলনৰ তীৰ্থ, কত যুগ ধৰি আহিছে প্ৰকাশি সমন্বয়ৰ অৰ্থ।' তদুপৰি ওৰে জীৱন তেওঁ অসমৰ বৰ্তমান আৰু ভৱিষ্যতক লৈ চিন্তিত হৈছিল—

'নানা জাতি-উপজাতি, ৰহণীয়া কৃষ্টি, আঁকোৱালি লৈ হৈছিল সৃষ্টি, এই মোৰ অসম দেশ, বিভেদ পৰিহৰি নিজহাতে শ্ৰম কৰি, দেশক নগঢ়িলে এই দেশ হ'ব নিঃশেষ আৰু মনবোৰো ভাগি-ছিগি যাব, আজিৰ অসমীয়াই নিজক নবচালে, অসমতে মগনীয়া হ'ব...।' তেওঁৰ সৃষ্টিৰাজিৰ মাজত আমি দেখিছোঁ— মানৱতাবাদৰ বাণী, প্ৰগতিৰ মহামন্ত্ৰ। ইয়াক বাস্তৱায়িত কৰিব পাৰিলে তেওঁ মৃত্যুঞ্জয়ী হৈ থাকিব চিৰদিন।

**ভূপেন হাজৰিকাৰ সংক্ষিপ্ত জীৱন-কৃতি ঃ**

১৯২৬ চন ঃ ৮ ছেপ্টেম্বৰত জন্ম। শদিয়াত। পিতৃ স্বৰ্গীয় নীলকান্ত হাজৰিকা, মাতৃ স্বৰ্গীয়া শান্তিপ্ৰিয়া হাজৰিকা।

১৯৩১ চন ঃ ৫ বছৰ বয়সতে ভূপেন হাজৰিকাৰ কপালত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ চুমা আৰু আশিস। আনুষ্ঠানিকভাৱে গীত পৰিৱেশনৰ আৰম্ভণি।

১৯৩৩ চন ঃ গুৱাহাটীৰ (ভৰলুমুখত) সোণাৰাম স্কুলৰ তৃতীয় শ্ৰেণীত নামভৰ্তি।

১৯৩৫ চন ঃ ৯ বছৰ বয়সত জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সান্নিধ্য লাভ।

১৯৩৭ চন ঃ জীৱনৰ প্ৰথম গীত 'কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে' ৰচি গীতিকাৰ জীৱনৰ পাতনি...। লগতে প্ৰথম ছবিত অভিনয়। ছবিৰ নাম 'ইন্দ্ৰমালতী'।

১৯৪০ চন ঃ তেজপুৰ হাইস্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ।

১৯৪২ চন ঃ ইণ্টাৰমিডিয়েট পাছ কৰে গুৱাহাটীৰ কটন কলেজৰপৰা।

১৯৪৪ চন ঃ বি. এ. পাছ কৰে বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰপৰা।

১৯৪৬ চন ঃ ৰাজনীতি বিজ্ঞান বিষয়ত এম. এ. পাছ কৰে বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰপৰা। ভূপেন হাজৰিকাৰ জীৱনৰ প্ৰথম কুৰিটা বছৰ এক 'অগ্নিযুগ'।

১৯৪৮ চন ঃ প্ৰথম স্বাধীনভাৱে সংগীত পৰিচালনা কৰে 'সতী বেউলা'।

১৯৪৮-৪৯ চন ঃ গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত চাকৰি।

১৯৫০ চন ঃ শিক্ষা বিষয়ত এম. এ. পাছ কৰে কলম্বিয়া বিশ্ববিদ্যালয়ৰপৰা। লগতে এই চনতে পুব আফ্ৰিকাৰ ইউগাণ্ডাৰ বাসিন্দা ব্ৰাহ্মণ সম্প্ৰদায়ৰ কন্যা স্নাতকোত্তৰ ডিগ্ৰীধাৰী শ্ৰীমতী প্ৰিয়ম্বদা এম. পেটেলক বিয়া কৰায় নিউয়ৰ্ক চহৰত।

১৯৫২ চন ঃ ডক্টৰেট ডিগ্ৰী লাভ কৰে আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰপৰা। গৱেষণাৰ বিষয়বস্তু ঃ "Role of Mass Communication in India's Adult Education."

এই চনতে আমেৰিকাত থকা কালছোৱাত হাজৰিকা পৰিয়ালত পুত্ৰ সন্তান 'তেজ'ৰ জন্ম।

১৯৫৩ চন ঃ পুত্ৰ-পৰিয়ালসহ আমেৰিকাৰপৰা অসমলৈ প্ৰত্যাৱৰ্তন।

১৯৫৪ চন ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাবে ৰচিলে এক যুগান্তকাৰী গীত 'জিলিকাব লুইতৰে পাৰ'।

১৯৫৫ চন ঃ গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা। লিজেল ফেলোশ্বিপ (আমেৰিকাৰ চিকাগো বিশ্ববিদ্যালয়)।

১৯৫৬ চন ঃ ভাৰতীয় সাংস্কৃতিক সন্থাৰ সদস্যৰূপে ৰাছিয়ালৈ যাত্ৰা। ভূপেন হাজৰিকাৰ 'এৰাবাটৰ সুৰ'ত লতা মংগেশকাৰৰ কণ্ঠদান।

১৯৫৭ চন ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ চাকৰি এৰি বিশ্বাভিমুখে ঢাপলি।

১৯৫৮ চন ঃ বৈবাহিক জীৱনত প্ৰচণ্ড ধুমুহা। স্বামীক এৰি শ্ৰীমতী প্ৰিয়ম্বদা হাজৰিকা নিজ ঘৰলৈ উভতিল।

১৯৪৯-৬২ চন ঃ 'অনিৰাপত্তাৰ যুগ'।

১৯৬০-৬১ চন ঃ ভাষা আন্দোলনত ৰাইজলৈ ঐক্য-শান্তি-মানৱতাৰ হকে গীতেৰে জনালে উদাত্ত আহ্বান।

১৯৬৭ চন ঃ নাওবৈচাৰপৰা এম. এল. এ. নিৰ্বাচিত— নিৰ্দলীয় প্ৰাৰ্থীৰূপে।

১৯৬৮ চন ঃ অসম সাহিত্য সভাৰ সভাপতি অতুল চন্দ্ৰ বৰুৱাৰ 'সুধাকণ্ঠ' উপাধি দান।

১৯৭২ চন ঃ বাৰ্লিনত অনুষ্ঠিত 'বিশ্ব সংগীত সন্মিলন'ত ভাৰতৰ হৈ অংশগ্ৰহণ।

১৯৭৩ চন ঃ আন্তৰ্জাতিক যুৱ মহোৎসৱত বিশেষ আমন্ত্ৰিত প্ৰতিনিধিৰূপে বাৰ্লিনত যোগদান, সংগীত পৰিৱেশন আৰু স্বৰ্ণপদক লাভ।

১৯৭৪ চন ঃ অৰুণাচল প্ৰদেশৰ পটভূমিত ৰঙীণ ডকুমেণ্টৰী "For whom the sunrise" নিৰ্মাণ।

১৯৭৬ চন ঃ 'চামেলি মেমচাব' ছবিৰ সংগীত পৰিচালকৰূপে ২৩তম National Award Festival (বছৰৰ শ্ৰেষ্ঠ সংগীত পৰিচালকৰূপে)-ত ৰাষ্ট্ৰপতিৰপৰা

স্বৰ্ণকমল বঁটা লাভ।

১৯৭৭ চন : বঙালী ছবি 'মহুৱা'ৰ সংগীত পৰিচালকৰূপে Indian Cultural Forum ৰদ্বাৰা শ্ৰেষ্ঠ পুৰস্কাৰ লাভ।

১৯৭৯ চন : ৮ জুনত আমেৰিকা যাত্ৰা— কেইবাটাও সংস্থাৰ আমন্ত্ৰণত।

১৯৮০ চন : জাপানৰ বুদ্ধিজীৱী সামাজিক সংগঠন RO-ON ৰদ্বাৰা আমন্ত্ৰিত।

১৯৮১ চন : কলিকতাত ২৭ ছেপ্টেম্বৰত Asian Institute of Technologyৰদ্বাৰা সন্মানিত।

১৯৮২ চন : National Geographic Society-ৰ সদস্য। পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতত কণ্ঠদান কৰি লং প্লেয়িং ৰেকৰ্ড প্ৰকাশ।

১৯৮৩ চন : উৎকৃষ্ট চলচ্চিত্ৰ নিৰ্মাণৰ উদ্দেশ্যে আৰ্থিক অনুদান আগবঢ়াবৰ বাবে N.F.D.C.-ৰ Script Committee-ৰ সদস্যৰূপে নিৰ্বাচিত। ভাৰতবৰ্ষত কুৰি শতিকাৰ দহজন শ্ৰেষ্ঠ সংগীত শিল্পীৰ অন্যতম বুলি স্বীকৃতি লাভ।

১৯৮৪ চন : বাংলাদেশ শিল্পকলা একাডেমীৰ আমন্ত্ৰণত সংগীত সন্মিলনীত যোগদান কৰিবলৈ ঢাকালৈ গমন।

১৯৮৫ চন : নিউজাৰ্চি চহৰৰ মেয়ৰৰপৰা 'Honourary Citizenship' লাভ। দূৰদৰ্শনৰ P.C. Joso of India-ৰ জুৰি ব'ৰ্ডৰ চেয়াৰমেন। All India Radio-ৰ Emeritus Producer।

১৯৮৬ চন : জাতীয় স্তৰত দূৰদৰ্শনৰ বাবে চলচ্চিত্ৰ কিনা আৰু বাছনি কমিটিৰ সদস্য।

১৯৮৭ চন : গীত গোৱা জীৱনৰ ৫০ বছৰ সম্পূৰ্ণ।

১৯৮৮ চন : কলিকতাৰ ৰবীন্দ্ৰ সদনত সংগীত একাডেমী পুৰস্কাৰ গ্ৰহণ।

১৯৮৯ চন : চাৰিমাহ ব্যাপী আমেৰিকা ভ্ৰমণ আৰু বিভিন্ন সংগীতানুষ্ঠানত যোগদান।

১৯৯০ চন : National Film Dev. Corpn.-ৰ Board of Director-ৰ Member। ১৯ ডিচেম্বৰত All India Critic Assn.-ৰদ্বাৰা কলা শিৰোমণি উপাধি দান (কলিকতাৰ বিৰলা একাডেমী হলত)।

১৯৯১ চন : কেৰেলাত হোৱা আন্তৰ্জাতিক শিশু চলচ্চিত্ৰ মহোৎসৱত Board of Director-ৰ অন্যতম সদস্য।

১৯৯২ চন : আমেৰিকাৰ অসম এছ'ছিয়েশ্বন, টেগৰ ছ'ছাইটি অব্ ইণ্ডিয়ান ষ্টুডেণ্টছ্ এছ'ছিয়েশ্বন আৰু বাংলাদেশ কালচাৰেল এছ'ছিয়েশ্বনৰ আমন্ত্ৰণত আমেৰিকালৈ গৈ চিকাগো, আটলাণ্টা, নিউজাৰ্চি, পেনচিলভেনিয়া আৰু নিউয়ৰ্কত গীত পৰিৱেশন, সভা-সমিতিত যোগদান আৰু সম্বৰ্ধনা গ্ৰহণ।

১৯৯৩ চন : অসম সাহিত্য সভাৰ ৫৯ তম অধিৱেশনৰ সভাপতিৰূপে নিৰ্বাচিত।

১৯৯৪ চন : ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ উপলক্ষে ইণ্ডিয়ান পেনোৰামা শাখাৰ চলচ্চিত্ৰ নিৰ্বাচকমণ্ডলীৰ চেয়াৰমেনৰূপে নিৰ্বাচিত।

১৯৯৯ চন : বৰ্তমানলৈ সংগীত নাটক একাডেমীৰ অধ্যক্ষৰ পদত অধিষ্ঠিত।

২০০০ চন : গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ডি. লিট. উপাধি লাভ।

২০০১ চন : পদ্মভূষণ উপাধি লাভ। বৰ্তমানলৈ সংগীত নাটক একাডেমীৰ অধ্যক্ষৰ পদত অধিষ্ঠিত। ৬ ছেপ্টেম্বৰত গুৱাহাটী ৰাজধানী কালচাৰেল একাডেমীৰপৰা 'অসম ৰত্ন' উপাধি লাভ। ৮ ছেপ্টেম্বৰ তাৰিখে ভূপেন হাজৰিকাৰ জীৱনৰ হীৰক জয়ন্তী উদ্‌যাপন। দেশ-বিদেশৰ বিভিন্ন প্ৰান্তৰ গুণমুগ্ধসকলে হাজৰিকালৈ শুভাশিস, অভিনন্দন জ্ঞাপন কৰে। হেৰিটেজ নৰ্থ-ইষ্টৰদ্বাৰা এই জন্মদিনটো 'গণ-সংগীতৰ' দিন হিচাপে পালন কৰে। বৰ্তমান ভূপেন হাজৰিকা সৃষ্টিশীল সাহিত্য-শিল্প, শিক্ষা কৰ্মত ব্যস্ত।

২০০২ চন : ২৬ জানুৱাৰী : অসমৰ সংগীত জগতলৈ আগবঢ়োৱা অবিস্মৰণীয় অৱদানৰ বাবে তেওঁ লাভ কৰে 'দেশৰত্ন' বঁটা। 'মানুহে মানুহৰ বাবে' গীতৰ বাংলা ৰূপান্তৰ 'মানুষ মানুষের জন্য' গীতটি কুৰি শতিকাৰ সৰ্বশ্ৰেষ্ঠ গীতৰূপে নিৰ্বাচিত। ৫৬ তম স্বাধীনতা দিৱস উপলক্ষে অসম চৰকাৰৰ হৈ মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে ড° হাজৰিকালৈ আগবঢ়ায় এটি বিশেষ বঁটা।

২০০৩ চন : 'অসম সত্ৰ মহাসভা'ৰপৰা 'সংগীত চূড়ামণি' উপাধি লাভ। কলা-সংস্কৃতিলৈ আগবঢ়োৱা জীৱনজোৰা অৱদানৰ বাবে লাভ কৰে 'Prag Cine Award'।

২০০৪ চন : 'প্ৰসাৰ ভাৰতী'ৰপৰা 'National Artist Award' লাভ। 'ভাৰতীয় জনতা দল'ত যোগদান আৰু

ভাৰতৰ লোকসভা নিৰ্বাচনত প্ৰাৰ্থিত্ব গ্ৰহণ।

২০০৫ চন ঃ নিজৰ এশটা গীত নতুনকৈ বাণীবন্ধন।

২০০৬ চন ঃ ভাৰতীয় সংগীত জগতলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে 'Gramophone Company of India Ltd.-ৰপৰা লাভ কৰে এক বিশেষ অভিনন্দন। পুনেৰ Indian School of Communication-ৰদ্বাৰা সম্বৰ্ধিত।

২০০৭ চন ঃ ২৪ জানুৱাৰীত গুৱাহাটীৰ 'Gurukul Grammar Senior Secondary School'ৰপৰা লাভ কৰে 'অসম ৰত্ন' বঁটা। অসম চৰকাৰৰপৰা 'জীৱনজোৰা সাধনা বঁটা' প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ।

২০০৮ চন ঃ অসম সাহিত্য সভাৰপৰা 'সাহিত্যাচাৰ্য' উপাধি লাভ।

২০০৯ চন ঃ অসম চৰকাৰে প্ৰথমবাৰৰ বাবে প্ৰৱৰ্তন কৰা 'অসম ৰত্ন' বঁটা লাভ। সদৌ অসম ছাত্ৰ সন্থাই গুৱাহাটী দীঘলীপুখুৰীৰ পাৰত নিৰ্মাণ কৰা নিজৰ এটা প্ৰতিমূৰ্তি উন্মোচন।

২০১০ চন ঃ ১৪ ফেব্ৰুৱাৰীত সদৌ অসম ছাত্ৰ সন্থাই দীঘলীপুখুৰীৰ পাৰত স্থাপন কৰা ড° ভূপেন হাজৰিকাৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি অগণিত জনতাৰ উপস্থিতিত উন্মোচন কৰে গণশিল্পী ড° ভূপেন হাজৰিকাই। পৰম্পৰাগত অসমীয়া সাজ পৰিধান কৰা ১৪জন অসমীয়া ডেকা আৰু সাতটা হাতীয়ে ড° হাজৰিকাক নিজবাপাৰৰ ঘৰৰপৰা দীঘলীপুখুৰীৰ পাৰলৈ কেইবা সহস্ৰ জনস্ৰোতৰ মাজেৰে সমদল উলিয়াই আদৰি নিয়ে। ১৫ ফেব্ৰুৱাৰীত সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত লতাশিল খেলপথাৰত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ সম্বৰ্ধনা গ্ৰহণ।

২০১১ চন ঃ ২৫ জানুৱাৰীত ড° ভূপেন হাজৰিকাৰ উপস্থিতিত তেওঁৰ জীৱনৰ স্মৃতি বিজড়িত অমূল্য সম্পদৰাজিৰে সংগৃহীত ভূপেন হাজৰিকা সংগ্ৰহালয় উদ্বোধন। ৮ ছেপ্টেম্বৰত তেওঁৰ ৮৬ সংখ্যক জন্মদিন পালন। গুৱাহাটীৰ চচলত থকা ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ কাম-কাজ আৰম্ভ।

প্ৰাপ্ত সন্মান, পুৰস্কাৰ আৰু পদক ঃ

গ'ল্ড মেডেলিয়ন (আমেৰিকাত প্ৰাপ্ত, ১৯৫৪), উদ্বোধক আৰু ভাৰতৰ প্ৰতিনিধি, ৱৰ্ল্ড কনফাৰেন্স অব্ কম্পোজাৰ্ছ, বাৰ্লিন (১৯৭২), পদ্মশ্ৰী (১৯৭৭), শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় বঁটা (১৯৭৫, 'চামেলি মেমচাব'ৰ বাবে), পশ্চিমবংগৰ ৰাজ্যিক সংগীত পৰিচালকৰ বঁটা (১৯৭৭, 'দম্পতী'ৰ বাবে), বাংলাদেশৰ শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় বঁটা (১৯৭৮, 'সীমনা পেৰিয়ে'ৰ বাবে), গ'ল্ড ডিস্ক (১৯৭৮, গ্ৰামোফোন কোম্পানী অব্ ইণ্ডিয়াৰ), ঋত্বিক ঘটক বঁটা (দুবাৰ, ১৯৭৯ত 'মহুৱা সুন্দৰী' আৰু ১৯৮০ ত 'নাগিনী কন্যাৰ কাহিনী'ৰ সংগীত পৰিচালনাৰ বাবে), শ্ৰেষ্ঠ লোক-সংগীত শিল্পী বঁটা (১৯৭৯, অল ইণ্ডিয়ান ক্ৰিটিক এছ'ছিয়েশ্বনৰ), ৰাষ্ট্ৰীয় নাগৰিক বঁটা (১৯৮৭, সংগীতলৈ আগবঢ়োৱা বৰঙণিৰ বাবে), শংকৰদেৱ বঁটা (১৯৮৭), অসমৰ



Man of the year ৰূপে পুৰস্কৃত (১৯৮৭), সংগীত নাটক একাডেমী বঁটা (১৯৮৭), ইন্দিৰা গান্ধী স্মৃতি পুৰস্কাৰ (১৯৮৭, বেংগল জাৰ্ণালিষ্ট এছ'ছিয়েশ্বন প্ৰদত্ত), পশ্চিমবংগ চৰকাৰৰ নাগৰিক বঁটা (১৯৯২, সংগীত জগতলৈ দাদা চাহেব ফাল্কে বঁটা (১৯৯৩), শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা (১৯৯৩, 'ৰুদালী'ৰ বাবে, জাপানত অনুষ্ঠিত এছিয়া-পেছিফিক ইণ্টাৰনেশ্বনেল ফিল্ম ফেষ্টিভেলত), অসম সাহিত্য সভাৰ সভাপতি (১৯৯৩), সংগীত নাট একাডেমীৰ অধ্যক্ষ (২০০০), কাৰ্যকৰী সদস্য, চিলড্ৰেন ফিল্ম ছ'ছাইটী; ন্যাসৰক্ষী সদস্য, পুবৰ আৰ্টিষ্টছ ৱেলফেয়াৰ ফাণ্ড (ভাৰত চৰকাৰ); জুৰী অধ্যক্ষ, ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা সমিতি (১৯৮৫), কাৰ্যকৰী সদস্য, পুনেৰ ফিল্ম এণ্ড টেলিভিশ্বন ইন্সটিটিউট পৰিচালনা ব'ৰ্ড অব্ প্ৰডিউচাৰ এমেৰিটাছ সন্মান, ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয় প্ৰদত্ত, সঞ্চালক, ব'ৰ্ড অব্ ডিৰেক্টৰ্ছ, এন. এফ. ডি. চি. স্ক্ৰিপ্ট কমিটি মেম্বাৰ, এন.

এফ. ডি. চি. চেয়াৰমেন, ইষ্টাৰ্ণ ৰিজন এপিলেট ব'ডী অব্ চেন্ট্ৰেল ব'ৰ্ড ফিল্ম চেন্সৰ্ছ (১৯৯০ চনৰপৰা ৯ বছৰ), পদ্মভূষণ (২০০১), গুৱাহাটী বিশ্ববিদ্যালয়ৰদ্বাৰা ডি. লিট. প্ৰদান (২০০০), তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰপৰা ডি. লিট. প্ৰদান (২০০১), পদ্মাবিভূষণ, ২০১২ (মৰণোত্তৰভাৱে)।

**ভূপেন হাজৰিকালৈ আগবঢ়োৱা বিভিন্ন উপাধি আৰু তেওঁৰ নামত ব্যৱহৃত উপাধিসূচক কেইটামান বিশেষণ ঃ**

সুধাকণ্ঠ, পদ্মশ্ৰী, পদ্মভূষণ, সংগীত সূৰ্য, সুৰৰ যাদুকৰ, কলাৰত্ন, ধৰাৰ গন্ধৰ্ব, গন্ধৰ্ব কোঁৱৰ, লুইত কোঁৱৰ, লুইত ৰত্ন, অসম ৰত্ন, অসম-গন্ধৰ্ব, কলা-কাণ্ডাৰী, শিল্পী-শিৰোমণি, কুৰি শতিকাৰ কৃষ্টিদূত, কুৰি শতিকাৰ শ্ৰেষ্ঠ অসমীয়া, যাযাবৰ শিল্পী, বিশ্ববন্ধু, বিশ্বকণ্ঠ।

**ভূপেন হাজৰিকাৰ গ্ৰন্থাৱলী ঃ এটি চিনাকি**

- জিলিকাব লুইতৰে পাৰ (গীতৰ সংকলন-১৯৫৫)
- সংগ্ৰাম লগ্নে আজি (গীতৰ সংকলন-১৯৬২)
- আগলি বাঁহৰে লাহৰী গগনা (গীতৰ সংকলন-১৯৬৪)
- সুন্দৰৰ ন-দিগন্ত (প্ৰবন্ধ সংকলন-১৯৬৭)
- গতি (আৰ্ট জাৰ্ণেল/১৯৬৪-৬৭)
- বিন্দু (আলোচনী-১৯৭০)
- আমাৰ প্ৰতিনিধি (আলোচনী-১৯৬৪)
- প্ৰতিধ্বনি (আলোচনী-১৯৮৩)
- চিক্‌মিক্ বিজুলী (চিত্ৰনাট্যৰ পুথি-১৯৭১)
- সুন্দৰৰ সৰু-বৰ আলিয়েদি (প্ৰবন্ধ সংকলন-১৯৮০)
- বহ্নিমান ব্ৰহ্মপুত্ৰ (গীতৰ সংকলন-১৯৮০)
- সময়ৰ পথীঘোঁৰাত উঠি (প্ৰবন্ধ সংকলন-১৯৮১)
- সহস্ৰজনে মোক প্ৰশ্ন কৰে (প্ৰশ্নোত্তৰ সংকলন-১৯৮৩)
- কাকতৰ সম্পাদনা (New India/১৯৪৯-৫০)
- কৃষ্টিৰ পথাৰে পথাৰে (প্ৰবন্ধ সংকলন-১৯৯৩)
- ভূপেন মামাৰ গীতে-মাতে অ আ ক খ (অকণি পুথি-১৯৭৬)
- সোঁৱৰণী মোৰ ৰাঙলী জীৱনৰ (এলবাম-১৯৯৩)
- ব'হাগ মাথোঁ এটি ঋতু নহয় (প্ৰবন্ধ সংকলন-১৯৯৩)
- গীতাৱলী (গীতৰ সংকলন-১৯৯৩)
- দিহিঙে-দিপাঙে (ভ্ৰমণ ডায়েৰী-১৯৯৩)
- নন্দনতত্ত্বৰ কৰ্মীসকল (মনোজ্ঞ সংকলন-১৯৯৩)
- মই এটি যাযাবৰ (আত্মজীৱনী-১৯৯৩)
- জ্যোতি ককাইদেউ (প্ৰবন্ধ সংকলন-১৯৯৩)
- বিষ্ণু ককাইদেউ (প্ৰবন্ধ সংকলন-১৯৯৩)
- বহ্নিমান লুইতৰ পাৰে পাৰে (প্ৰবন্ধ সংকলন-১৯৯৩)

**ড° ভূপেন হাজৰিকাৰ কথা আৰু সুৰৰ অসমীয়া গীত গোৱা ভাৰত প্ৰখ্যাত গায়ক-গায়িকাসকল ঃ**

লতা মঙ্গেশকাৰ, হেমন্ত মুখাৰ্জী, ইলা বসু, তালাত মাহমুদ, সুমন কল্যাণপুৰ, কিশোৰ কুমাৰ, মুকেশ, মহম্মদ ৰফী, উষা মঙ্গেশকাৰ, আশা ভোঁচলে, চাবনা ইয়াচমিন। ❖❖❖

# তুমি নতুন পুৰুষ

তুমি নতুন পুৰুষ, তুমি নতুন নাৰী
অনাগত দিনৰ জাগ্ৰত প্ৰহৰী!
কেঁচা জীৱন সোঁতক সিঞ্চন কৰি
সজাবা সমাজ নিজ হাতেৰে গঢ়ি।

এন্ধাৰ গলিত আলোক বৰষাৰ
চালিবা তুমি উচ্ছল বাৰি
মৃত্যুঞ্জয়ী তুমি কৰিবা দমন
শোষকৰ দংশন নোহে চিৰন্তন।

সংকল্প তোমাৰ হ'বই সফল
দুৰ্বাৰ সাহসেৰে পথ উজ্জ্বল।
তুমি নৱ সপোন, নৱ অংগীকাৰ
তুমি নৱ সংগ্ৰাম শত শত ঝংকাৰ।

বিপদৰ প্ৰস্তৰ বিচূৰ্ণ কৰি
সজাবা নতুন পথ হাতেৰে গঢ়ি
বজাবা তুমি আমাৰ গগনা
নোপোৰাৰ হাহাকৰ নোহোৰা কৰি।

ভূপেন হাজৰিকা
১৯৭৭ ইং চন (কলিকতা)

# প্ৰতিবাদ আৰু যন্ত্ৰণাৰ অন্য নাম ঃ মামণি ৰয়ছম গোস্বামী



মঞ্জিৰা শৰ্মা
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ

## নীৰৱে লিখিলে 'দস্তাবেজ'ৰ শেষ পৃষ্ঠা ঃ

ন মাহৰো অধিক সময় ধৰি চলিছিল জীৱন-মৃত্যুৰ এখন নিদাৰুণ যুঁজ। নিথৰ, নিৰ্বাক হৈ জি. এম. চি. হাস্পতালৰ আই. চি. ইউ.ত মৃত্যুৰ সৈতে যুঁজি গৈছিল জ্ঞানপীঠ বিজয়িনী জ্ঞানমালিনী। জীৱন-মৃত্যুৰ যুঁজত অৱশেষত হাৰ মানিলে অসমৰ বৰপুত্ৰী, সাহিত্য সম্ৰাজ্ঞী মামণি ৰয়ছম গোস্বামীয়ে। সৌৰৱণী হৈ পৰিল জ্ঞান আৰু সৃজনী প্ৰতিভাৰ অক্ষয় ভাণ্ডাৰ ড° ইন্দিৰা গোস্বামী অথবা সকলোৰে পৰিচিত মামণি ৰয়ছম আৰু বহুতৰে মামণি বাইদেউ। ২৯ নৱেম্বৰ, ২০১১ মংগলবাৰে পুৱা ৭-৪৫ বজাত চিৰদিনলৈ নুমাই থাকিল টিমিকি টিমিকি জ্বলি থকা মামণি বাইদেউৰ জীৱন বন্তি। জীৱনৰ দস্তাবেজ সামৰি চিৰদিনলৈ গুচি গ'ল 'আধালেখা দস্তাবেজ'ৰ স্ৰষ্টাই।

## ধন্য সেই পিতৃ-মাতৃ যিয়ে জন্ম দিলে এই মহীয়সীক ঃ

১৯৪২ চনৰ ১৪ নৱেম্বৰত পিতৃ উমাকান্ত গোস্বামীৰ ঔৰসত আৰু মাতৃ অম্বিকা দেৱী গোস্বামীৰ গৰ্ভত জন্ম হৈছিল ইন্দিৰা গোস্বামীৰ। গুৱাহাটীত জন্ম হোৱা ইন্দিৰাৰ শৈশৱ, কৈশোৰ অথবা যৌৱনৰ অলেখ দিন অতিবাহিত হৈছিল পিতৃৰ জন্মগাঁও পলাশবাৰীৰ বৰিহাট আমৰাংগাৰ গ্ৰাম্য পৰিবেশত। গুৱাহাটীৰ তাৰিণী চৌধুৰী স্কুলত আৰু শ্বিলঙত স্কুলীয়া শিক্ষা লোৱাৰ পিচত ১৯৬৩ চনত তেওঁ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৭৩ চনত ৰামায়ণী সাহিত্যৰ ওপৰত গৱেষণা কৰি তেওঁ পি. এইচ. ডি. অৰ্জন কৰে।

## জীৱনৰ কাৰুণ্যই যাৰ সাহিত্যত দিছিল অনন্য প্ৰাণ ঃ

বৈবাহিক জীৱনৰ মাত্ৰ ১৮ মাহৰ পিচতে দুৰ্ভাগ্যজনকভাৱে এটা শোকাবহ পথ দুৰ্ঘটনাত মামণি ৰয়ছমৰ স্বামী অভিযন্তা মাধৱেন ৰয়ছম আয়েংগাৰৰ মৃত্যু হয়। দুৰ্যোগৰ ধুমুহা নামি আহে মামণি ৰয়ছমৰ জীৱনলৈ। অকাল বৈধব্যৰ যন্ত্ৰণাত কাতৰ হৈ মামণি ৰয়ছমৰ মনলৈ আত্মহত্যাৰ চিন্তাও আহিবলৈ ধৰে বাৰে বাৰে। তেওঁৰ আত্মজীৱনী 'আধালেখা দস্তাবেজ'তেই প্ৰকাশ পাইছে সেই দুঃসহ সময়ৰ প্ৰতিটো মুহূৰ্তৰ সঠিক চিত্ৰ। পিচে সেই দুখক বুকুৰ পঁজাত ঠাই দিয়েই জীয়াই থাকিবলৈ সংকল্পবদ্ধ হ'ল মামণি ৰয়ছম। ব্যক্তিগত দুখৰ অনুভৱে যেন শাণিত কৰি তোলে তেওঁৰ সৃষ্টিশীল কলম। অবিৰত সৃষ্টিৰে তেওঁ পাঠক সমাজক উপহাৰ দি গ'ল— 'নীলকণ্ঠী ব্ৰজ', 'মামৰে ধৰা তৰোৱাল', 'অহিৰণ', 'উদয়ভানুৰ চৰিত্ৰ', 'সংস্কাৰ ইত্যাদি', 'চেনাবৰ স্ৰোত', 'দঁতাল হাতীৰ উঁয়ে খোৱা হাউদা', 'আধালেখা দস্তাবেজ' আদিৰ দৰে বহু কালজয়ী গ্ৰন্থ। মানৱ দৰদী মামণি ৰয়ছমৰ কাপ-মৈলামেৰে নিগৰি নিগৰি পৰিল নিৰ্মম বাস্তৱৰ বহুৰঙী চিত্ৰ। উদ্ভাসিত হৈ উঠিল দৰিদ্ৰ, নিপীড়িত, পদদলিত শ্ৰমিকৰ জীৱন, ঔৰ্ধ্বদেহিকৰ বাবে আঁচলৰ গাঁঠিত ধন সাঁচি থোৱা ব্ৰজধামৰ ৰাধেশ্যামসকলৰ মৰ্মন্তুদ কাহিনী। তেওঁৰ সৰল মনটোত, ঘটনাবহুল জীৱনটোত যেন থুপ খাই আছিল কঠিন বাস্তৱৰ বহু নিৰ্মম কাহিনী। তাৰ সঠিক চিত্ৰায়নেৰে এসময়ত আত্মহত্যা কৰিবলৈ লগত নিদ্ৰাৰ বড়ি সাঁচি ৰখা মানুহগৰাকীয়ে পিচলৈ জগতবাসীৰ ওচৰত দাঙি ধৰিছিল সৃষ্টিৰ ৰত্নভাণ্ডাৰ। তাৰেই ফলশ্ৰুতিত ২০০০ চনত দেশৰ সাহিত্য বিষয়ক সৰ্বোচ্চ সন্মান 'জ্ঞানপীঠ' বঁটাৰে বিভূষিত হয় তেওঁ। অকল এয়াই নহয়, সাহিত্য অকাডেমী, ভাৰত নিৰ্মাণ বঁটা, বিদ্যাসাগৰ স্বৰ্ণফলক, পদ্মশ্ৰী, তুলসী দাস বঁটা, কমল কুমাৰী বঁটা, এম্বেছাদৰ ফৰ পীচ, প্ৰিন্স ক্লজ এৱাৰ্ড আদি বহু বিৰল সন্মানৰ অধিকাৰী হয় মামণি ৰয়ছম। তেওঁৰ অমৰ সৃষ্টিসমূহ হ'ল—

**গল্প সংকলন ঃ**

চিনাকী মৰম (১৯৬২), কইনা (১৯৬৬), হৃদয় এক নদীৰ নাম (১৯৯০), মামণি ৰয়ছমৰ স্ব-নিৰ্বাচিত গল্প (১৯৯৮) (হিন্দী ভাষালৈ অনূদিত) আৰু মামণি ৰয়ছম গোস্বামীৰ প্ৰিয় গল্প (১৯৯৮)।

**উপন্যাস সংকলন ঃ**

চেনাবৰ স্ৰোত (১৯৭২), নীলকণ্ঠী ব্ৰজ (১৯৭৬), ইংৰাজী হিন্দী ভাষালৈ অনূদিত; অহিৰণ (১৯৮০), মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস (১৯৮০) বঙালী ভাষালৈ অনূদিত, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা (১৯৮৮) ইংৰাজী, পাঞ্জাৱী, কানাড়া, হিন্দী, তেলেগু, বঙালী, নেপালী ভাষালৈ অনূদিত; সংস্কাৰ, উদয়ভানুৰ চৰিত্ৰ (১৯৮৯), ঈশ্বৰী জখমী যাত্ৰী ইত্যাদি (১৯৯১), তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা (১৯৯৪) হিন্দী ভাষালৈ অনূদিত; মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সমগ্ৰ (১৯৯৮), দাশৰথীৰ খোজ (১৯৯৯), ছিন্নমস্তাৰ মানুহটো (২০০১) হিন্দী, কানাড়া, মাৰাঠী ভাষালৈ অনূদিত, থেংফাখ্ৰী তহচিলদাৰৰ তামৰ তৰোৱাল (২০০৬)।

**আত্মজীৱনীমূলক গ্ৰন্থ ঃ**

আধালেখা দস্তাবেজ (১৯৮৮) ইংৰাজী, নেপালী, মাৰাঠী ভাষালৈ অনূদিত; দস্তাবেজৰ নতুন পৃষ্ঠা (২০০৭)।

**জীৱনী গ্ৰন্থ ঃ** মহীয়সী কমলা (১৯৯৫), মা (২০০৮)।

**অনুবাদ গ্ৰন্থ ঃ** প্ৰেমচন্দৰ চুটিগল্প, আধাঘণ্টা সময়, জাতক কথা, কলম আৰু আহ্নিক।

**ইংৰাজী গ্ৰন্থ ঃ** ৰামায়ণা ফ্ৰম গংগা টু ব্ৰহ্মপুত্ৰ (১৯৯৬)।

**সম্পাদনা গ্ৰন্থ ঃ** এৰি অহা দিনবোৰ (ড° মলয়া খাউণ্ডৰ সৈতে যৌথ সম্পাদনা), ইণ্ডিয়ান ফ'কলৰ।

আনহাতে দেশ-বিদেশৰ বিভিন্ন পত্ৰিকা, গৱেষণা পত্ৰিকা আদিত মামণি ৰয়ছম গোস্বামীৰ বহুকেইখন মূল্যৱান ৰচনা, গৱেষণা পত্ৰ প্ৰকাশিত হৈছে।

মামণি ৰয়ছমৰ কাহিনীবোৰৰ প্ৰধান উপজীব্য দুটা। এটা হৈছে সমাজৰ বিভিন্ন স্তৰৰ বিভিন্ন প্ৰান্তৰ নিৰ্যাতিত, নিপীড়িত, অসহায় লোকসকলৰ জীৱন-যন্ত্ৰণা, যাক ইমান মৰ্মস্পৰ্শী আৰু জীৱন্তভাৱে অতি কমসংখ্যক লোকেহে ৰূপায়িত কৰিব পাৰিছে। দ্বিতীয় বৈশিষ্ট্য হৈছে— এনে নিপীড়িত বা অৱহেলিতসকলৰ মাজত থাকি দৃঢ়তা আৰু বীৰত্বৰে সংগ্ৰাম কৰি নাৰীসত্তাক গৌৰৱান্বিত কৰা ব্যতিক্ৰমী মহিলা। ভাৰতৰ সমাজ ব্যৱস্থাৰ এই দুই গুৰুত্বপূৰ্ণ দিশ অংকন কৰি তেওঁ সমাজ সচেতন পাঠকসকলৰ বিবেক আলোড়িত কৰি থৈ গ'ল। ব্যক্তিগত জীৱনত তেওঁ আছিল অতি মাৰ্জিত ৰুচিৰ কৰুণাময়ী নাৰী, যি অকাতৰে সহায়প্ৰাৰ্থীক সকলো ধৰণৰ সহায়ৰ হাত আগবঢ়াইছিল।

**কৰ্মজীৱন ঃ**

গোৱালপাৰাৰ সৈনিক স্কুলত শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰি ১৯৭০ চনত তেওঁ দিল্লী বিশ্ববিদ্যালয়ত যোগদান কৰে। ৰামায়ণী সাহিত্যৰ আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন গৱেষিকা হিচাপেও স্বীকৃতি লাভ কৰা মামণি ৰয়ছমে জীৱনকালত শিক্ষায়তনিক দিশতো অসামান্য বৰঙণি আগবঢ়াই থৈ যায়। ৰামায়ণী সাহিত্যৰ প্ৰতি থকা তেওঁৰ আকৰ্ষণক প্ৰতিফলিত কৰিয়েই যেন তেওঁ গুৱাহাটীৰ গান্ধীবস্তিত থকা তেওঁৰ বাসভৱনটোৰ নাম ৰাখে 'ৰামাঞ্জলি'।

**শান্তিৰ যুঁজৰ অবিসম্বাদী নায়িকা আছিল মামণি ৰয়ছম ঃ**

বন্ধ কোঠাত বহি কেৱল উপন্যাস বা সৃষ্টিৰ জগতত শান্তিৰ সন্ধান কৰা সাহিত্যিক নাছিল মামণি ৰয়ছম গোস্বামী। গোস্বামী আছিল শান্তিৰ মাজেৰে ৰূপান্তৰৰ স্বপ্ন দেখা সৃষ্টিকৰ্মী। সেইবাবে বিশ্বৰ আন বহু শিল্পী-সাহিত্যিকৰ দৰে ঘৰৰ ভিতৰতে নাথাকি বাইজৰ এজন হৈ সক্ৰিয়ভাৱে শান্তি প্ৰতিষ্ঠাৰ কৰ্মী আছিল তেওঁ। গভীৰ সমাজবীক্ষাৰে তেওঁ সন্ধান কৰিছিল এখন শান্তিপূৰ্ণ সমাজৰ। তাৰেই ফলশ্ৰুতিত আলফাই 'পিপলছ্ কনছালটেটিভ গ্ৰুপ' গঠন কৰি মামণি ৰয়ছম গোস্বামীক ইয়াৰ মুখ্য সমন্বয়ৰক্ষীৰ দায়িত্ব অৰ্পণ কৰাৰ উপৰি শান্তি প্ৰক্ৰিয়াৰ হকে নাগৰিক সমাজে গঠন কৰা শান্তি প্ৰক্ৰিয়া সমন্বয়ৰক্ষী সমিতিৰো অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰিছিল। বিদ্ৰোহী সংগঠন আৰু নাগৰিক সমাজ উভয় শিবিৰতেই মামণি ৰয়ছমৰ যে গ্ৰহণযোগ্যতা আছিল, ইয়েই তাৰ উৎকৃষ্ট প্ৰমাণ। সমান্তৰালভাৱে চৰকাৰৰ বাবেও আস্থাভাজন আছিল বিশিষ্টা সাহিত্যিকগৰাকী। কেন্দ্ৰীয় চৰকাৰ আৰু আলফাৰ মাজত বহু প্ৰত্যাশিত শান্তি আলোচনা আৰম্ভ কৰাৰ বাটত থকা হেঙাৰ আঁতৰোৱাৰ বাবে ২০০৫ চনৰ ৮ ছেপ্টেম্বৰত আলফাই গোস্বামীৰ নেতৃত্বত পি.চি.জি. গঠন কৰিছিল। কিন্তু প্ৰকৃতাৰ্থত সেই বছৰৰ মে'-জুন মাহতেই গোস্বামীয়ে আলফা আৰু চৰকাৰ উভয়ৰ সৈতে সংযোগ স্থাপন কৰিছিল। প্ৰধানমন্ত্ৰীৰ সেই সময়ৰ মুখ্য নিৰাপত্তা উপদেষ্টা এম. কে. নাৰায়ণন আৰু আলফাৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাৰ সৈতে চিঠিৰ আদান-প্ৰদান আৰু সঘন টেলিফোন

বাৰ্তালাপেৰে পি.চি.জি. আৰু চৰকাৰৰ মাজত শান্তি আলোচনা আৰম্ভ কৰাৰ বাট মুকলি কৰিছিল গোস্বামীয়ে। ১১ জনীয়া পি.চি.জি.ৰ সৈতে প্ৰধানমন্ত্ৰীৰ উপস্থিতিত নতুন দিল্লীত প্ৰথমলানি আলোচনা হৈছিল ২০০৫ চনৰ ২৬ অক্টোবৰত। ২০০৬ চনৰ ৭ ফেব্ৰুৱাৰীত দ্বিতীয়লানি আলোচনা সম্পন্ন হৈছিল। তৃতীয়লানি বৈঠকত আলফা আৰু চৰকাৰৰ মাজত বহু আকাংক্ষিত আলোচনাৰ বাট মুকলি হৈছিল আৰু চৰকাৰে পাঁচ বন্দী আলফা নেতাক মুকলি কৰি দিবলৈ সন্মত হোৱাৰ বিপৰীতে পি.চি.জি.য়ে আলফাক আলোচনাৰ উপযোগী হিংসামুক্ত পৰিৱেশ গঢ়াত অৰিহণা যোগাবলৈ সন্মত হৈছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে মূৰকত সেয়া হৈ উঠাগৈ নাছিল। পি.চি.জি.ৰ ৯ জন সদস্যই (মুখ্য সমন্বয়ৰক্ষী মামণি ৰয়ছম গোস্বামী, সমন্বয়ৰক্ষী ৰেৱতী ফুকনক বাদ দি) চৰকাৰৰ অৱহেলা আৰু অনীহাত ক্ষুব্ধ হৈ ২০০৬ চনৰ ২৮ ছেপ্টেম্বৰত আলোচনা প্ৰক্ৰিয়াটোৰপৰা আঁতৰি আহে। শান্তি আলোচনাৰপৰা পি.চি.জি. আঁতৰি অহাৰ পিচতো কিন্তু গোস্বামীয়ে শান্তি প্ৰতিষ্ঠাৰ আশা নেৰিলে। নিজা উদ্যোগ, নিজা প্ৰচেষ্টাৰে শান্তি আলোচনাৰ অনুকূল পৰিৱেশ ৰচনাৰ হকে অবিৰাম প্ৰচেষ্টা চলাই গ'ল তেওঁ। সাহিত্যিকগৰাকীয়ে কেতিয়াও আলোচনা প্ৰক্ৰিয়াক লৈ বিভাজনমুখী চিন্তাক অগ্ৰাধিকাৰ দিয়া পৰিলক্ষিত. হোৱা নাছিল। তথাপি আলোচনাক লৈ পৰেশ বৰুৱা আৰু অৰবিন্দ ৰাজখোৱাৰ নেতৃত্বত আলফা দুটা শিবিৰত বিভক্ত হ'লেও দুয়োটা শিবিৰৰ মাজতেই অক্লান্ত শান্তি সন্ধানীগৰাকীৰ বিশ্বাসযোগ্যতা আৰু গ্ৰহণযোগ্যতা বৈ গ'ল।

### ৰয়ছমৰ সৃষ্টিৰ আধাৰত নিৰ্মিত হৈছিল চলচ্চিত্ৰ, ধাৰাবাহিক, টেলিফিল্ম ঃ

মামণি ৰয়ছম গোস্বামীৰ সৃষ্টিৰ ৰসত ডুব গৈছিল সমাজৰ সকলো শ্ৰেণীৰ পাঠক। হয়তো এই কাৰণতে চেলুলয়ডো আকৰ্ষিত হৈছিল বিশিষ্টা লেখিকাগৰাকীৰ যাদুকৰী সৃষ্টিৰ প্ৰতি। দুখন পূৰ্ণদৈৰ্ঘ্যৰ ছবি, তিনিখন ধাৰাবাহিক আৰু বহুকেইখন টেলিফিল্ম নিৰ্মাণ হৈছিল তেওঁৰ অনবদ্য উপন্যাস আৰু গল্পৰ কাহিনীৰ আধাৰত। ১৯৮৮ চনত প্ৰকাশ পোৱা তেওঁৰ অন্যতম জনপ্ৰিয় উপন্যাস 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ কেইটামান নিৰ্বাচিত চৰিত্ৰক লৈ বিশিষ্টা শিল্পী ডাঃ শান্তনা বৰদলৈয়ে নিৰ্মাণ কৰিছিল 'অদাহ্য' ছবিখন। এই ছবিখনে ৰাজ্যলৈ আনিছিল ৰাষ্ট্ৰীয় বঁটা আৰু আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি তথা উচ্চ প্ৰশংসা। ১৯৯৬ চনত 'অদাহ্য' ছবিয়ে ৰজত কমল বঁটা লাভ কৰাৰ লগতে এই ছবিত অনন্য চিত্ৰগ্ৰহণৰ কাম কৰাৰ বাবে প্ৰয়াত মৃণালকান্তি দাসে লাভ কৰিছিল শ্ৰেষ্ঠ চিত্ৰগ্ৰহণকাৰীৰ ৰাষ্ট্ৰীয় বঁটা। আনহাতে ভাৰতীয় পেনোৰামালৈ নিৰ্বাচিত হোৱাত 'অদাহ্য' ছবিখন বিশ্বৰ প্ৰায় কুৰিখন আন্তঃৰাষ্ট্ৰীয় ছবি মহোৎসৱত প্ৰদৰ্শিত হৈ উচ্চ প্ৰশংসা লাভ কৰে। আনহাতে 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ কাহিনীক লৈ বিশিষ্ট শিল্পী দুলাল ৰয়ে ১৯৯৬ চনত দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় চেনেলৰ বাবে নিৰ্মাণ কৰিছিল 'কামৰূপ কি কাহানী' নামৰ হিন্দী ধাৰাবাহিকখন। ধাৰাবাহিকখনৰ চিত্ৰনাট্য লিখিছিল ৰুমা ঘোষে। ১৯৯৭ চনত মামণি ৰয়ছম গোস্বামীৰ 'সংস্কাৰ' নামৰ গল্পৰ আধাৰত একে নামেৰে ছবি নিৰ্মাণ কৰিছিল ৰঞ্জিত দাসে। কিন্তু ছবিখন চিত্ৰগৃহলৈ নাহিল। কলকাতা ছবি মহোৎসৱ আৰু দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় চেনেলত প্ৰদৰ্শিত ছবিখনে চলচ্চিত্ৰ ৰসিকৰপৰা· উচ্চ প্ৰশংসা লাভ কৰে। আনহাতে মামণি ৰয়ছম গোস্বামীৰ আত্মজীৱনী 'আধালেখা দস্তাবেজ'ৰ আধাৰত এছ কোহলীয়ে এখন ধাৰাবাহিক নিৰ্মাণ কৰিছিল। তদুপৰি 'ভিক্ষাৰ পাত্ৰ ভাঙি'ৰ আধাৰত নিৰ্মাণ কৰা এখন ধাৰাবাহিক দিল্লী দূৰদৰ্শনত সম্প্ৰচাৰ হৈছিল।

### আমৰাংগা ঃ য'ত অংকুৰিত হৈছিল তেওঁৰ সৃষ্টিৰ বীজ ঃ

বৈবাহিক জীৱনৰ ১৮ টা মাহৰ পিচতেই বৈধব্যক আঁকোৱালি লোৱা মামণি ৰয়ছম স্বপ্নভংগৰ হতাশাত ভাগি পৰিছিল। বিষাদস্তব্ধ জঠৰ হৈ বিশাল চকুযুৰিত শূন্যতা লৈ উভতি আহিছিল আমৰাংগালৈ। সৰুতেই হেৰাই যোৱা পিতৃৰ সান্ত্বনাৰ উমাল সান্নিধ্যৰ প্ৰচ্ছায়া বিচাৰি হাহাকাৰ কৰি উঠিছিল তেওঁৰ আহত হৃদয়। সিদিনা আমৰাংগাৰ উদাৰ আকাশে গভীৰ আৱেগেৰে তেওঁক আৱৰি ৰাখিছিল। ইয়াৰ মানুহৰ, আকাশ-বতাহৰ নিভাঁজ ছাঁতেই বৈ ভাগি চূৰ্মাৰ্ হৈ পৰা সপোনবোৰ সামৰি-সুতৰি লৈছিল তেওঁ। পুনৰ চেষ্টা কৰিছিল থিয় হ'বলৈ। ওৰেটো জীৱন আমৰাংগা আৰু ইয়াৰ সহজ-সৰল গঞা ৰাইজৰ মৰমৰ স্মৃতি বুকুত সাৱটিয়েই বিশ্ব ভ্ৰমি ফুৰিছিল তেওঁ। আমৰাংগাৰ মানুহৰ জীৱনেই হৈ পৰিছিল তেওঁৰ মহৎ সৃষ্টিৰ উপন্যাসৰ মূল উপজীব্য। ইয়াৰ মানুহৰ হৃদয়ৰ কান্দোনেই হৈছিল তেওঁৰ কলমৰ প্ৰতিবাদী ভাষা। জীৱনৰ ঘাত-প্ৰতিঘাতৰ মাজতো সতেজ হৈ ৰৈছিল স্মৃতিৰ দেৱালে দেৱালে অংকিত আমৰাংগাবাসীৰ সঁচা মৰমৰ ৰং। সুদূৰ দিল্লী, মুম্বাই, মথুৰা, ইউৰোপ— য'লৈকে নাযাওক কিয়, অজলা-নিছলা আমৰাংগাবাসীৰ দুখ-বেদনাৰ হুমুনিয়াহে অহৰহ খেদি ফুৰিছিল তেওঁক। চিকিৎসাৰ অভাৱত আঁহত গছৰ তলত নিঃসংগভাৱে শুই শুই ৰোগীয়ে

অসহায়ভাৱে আকাশলৈ চাই মৃত্যু ভিক্ষা কৰাৰ করুণ স্মৃতিয়ে প্ৰতিনিয়ত ভাঙি নিছিল তেওঁৰ হৃদয়। "মই নোৱাৰিলোঁ। তুমি পাৰিলে আমৰাংগাৰ মানুহৰ বাবে এখন হাস্পতাল কৰিবা"— পিতৃ উমাকান্ত গোস্বামীয়ে ল'ৰালিতে তেওঁক কৈ থোৱা এই কথাষাৰে নতুন আশাৰ স্ৰোত হৈ তেওঁক প্ৰতিক্ষণে প্ৰেৰণা যোগাইছিল। ভগা-গঢ়াৰ এই অহৰহ ছায়াযুদ্ধত বিহ্বল-অসহায় হৈ পৰিছিল তেওঁৰ হৃদয়। অৱশেষত সুদীৰ্ঘ অপেক্ষাৰ অন্ত পৰিল। ইউৰোপৰ স্বনামধন্য প্ৰিন্সিপাল ক্ল'জ ফাউণ্ডেচনে তেওঁলৈ বঁটা হিচাপে আগবঢ়ালে ৪০ লাখ টকা। জীৱনৰ অন্তিমটো আশা পূৰ্ণ হ'বলৈ আৰম্ভ কৰা দেখি আনন্দত উদ্বাউল হৈ পৰিল তেওঁ। উদ্‌ভ্ৰান্ত হৈ ইউৰোপৰপৰা আমৰাংগালৈ তেওঁ ঢাপলি মেলিলে। গাঁৱৰ গুৰুজনৰ স'তে আলোচনা কৰি পিতৃয়ে দান কৰি যোৱা এডোখৰ মাটিত থকা এখন প্ৰাথমিক চিকিৎসালয়ক ১২ খন বিছনাযুক্ত হাস্পতাললৈ উন্নীত কৰাৰ সিদ্ধান্ত ল'লে তেওঁ।

**মহাশ্বেতা দেৱীৰ মহাপ্ৰয়াণত আধুনিক ভাৰতীয় সাহিত্যৰ এটা যুগৰ অৱসান হ'ল ঃ**

সুধাকণ্ঠই কৈ গৈছে— "মামণিৰ লিটাৰেচাৰৰ কোৱালিটি বহু হাই, ম'ৰ দেন্ জ্ঞানপীঠ। তেওঁক দেখিলেই মোৰ মহাশ্বেতা দেৱীৰ নিচিনা লাগে।" সঁচাকৈয়ে, এই মহাশ্বেতাই আমাক যি কালজয়ী লিখনিসমূহ দিলে, সি নিঃসন্দেহে ভাৰতীয় সাহিত্য সমৃদ্ধ কৰিছে। মামণি ৰয়ছম এগৰাকী নাৰী; যাৰ অন্তৰত আনন্দ আছিল, বেদনা আছিল, প্ৰেম আছিল, আনৰ প্ৰতি দৰদ আছিল আৰু সাহস আছিল। আধুনিক অসমীয়া চুটিগল্প আৰু উপন্যাসক বিষয়বস্তু, কথনৰীতি আৰু পৃষ্ঠভূমিৰে মামণি ৰয়ছমে এক নতুন আয়তন দান কৰিছে। অসমীয়া গল্প-উপন্যাসৰ পৃষ্ঠভূমি ড° গোস্বামীয়ে অসমৰপৰা বহু দূৰলৈ লৈ গৈ আধুনিক অসমীয়া সাহিত্যৰ পৃষ্ঠভূমিক বিস্তৃতি দান কৰিছে। মামণি ৰয়ছম গোস্বামীৰ গল্প-উপন্যাসৰ কথনৰীতি কাব্যিক। ড° গোস্বামীয়ে ৰামায়ণী সাহিত্যৰ অধ্যয়নকো এক নতুন মাত্ৰা দান কৰিলে। তেওঁৰ গল্প-উপন্যাসসমূহত নাৰী দৃষ্টিকোণ এটা সকলোৰে চকুত পৰিলেও তেওঁ ঠিক নাৰীবাদী লেখিকা নহয়; তেওঁ গভীৰ মানৱতাবাদী লেখিকা। সৃষ্টিশীল ৰচনাৰ মাজেদি অসমীয়া সাহিত্যক নতুন মৰ্যাদা দান কৰি ড° গোস্বামীয়ে নিজেও অমৰত্ব লাভ কৰিছে।

জগলীয়া নদীৰ পাৰে পাৰে বৈ গৈ বিশ্ব সাহিত্যৰ মহাসমুদ্ৰত উদ্বেলিত কৰা জীৱন অহিৰণৰ মহাশক্তিমান সুঁতি আজি স্তব্ধ। হেৰাই গ'ল এটি প্ৰতিবাদী কলমৰ প্ৰতিবাদী নিনাদ। গালিবৰ লগতে দিল্লীৰ আত্মাৰো মৃত্যু হ'ল বুলি দিল্লীৰ নিষ্ঠুৰতাক উপহাস কৰিবলৈ আজি আৰু কোনো নাই। চিৰকালৰ বাবে উকা হৈ ৰ'ল অসমীয়াৰ হৃদয়ত প্ৰাণৰ সঞ্চাৰ কৰা বিশ্ব সাহিত্যৰ এটি পৃষ্ঠা। গালিবৰ লগতে দিল্লীৰ আত্মাৰ মৃত্যু হোৱা বুলি ক'লেও অসমৰ আত্মাৰ অবিনশ্বৰতাৰ প্ৰমাণ হৈ ৰ'ব ড° মামণি ৰয়ছম গোস্বামী। অসমৰ সাহিত্য আকাশত এটি উজ্জ্বল জ্যোতিষ্ক হৈ ড° মামণি ৰয়ছম গোস্বামী জিলিকি থাকিব চিৰদিন, চিৰকাল। ❖❖❖

# নতুন প্ৰজন্মলৈ জুবিনৰ গান—

শান্তি দিয়া, মুক্তি দিয়া
সোণৰ অসম ৰচিবলৈ
সেউজ দিয়া, শস্য দিয়া
চিৰকাল ফুলিবলৈ

গুলী-বাৰুদ, ধোঁৱা উৰুৱাই
নিৰপৰাধ শিশু কন্দুৱাই
ঘৰে ঘৰে মৰম নচুৱাই
কিনো পালা তুমি

কিনো দিলা কোৱা
সঁচা হোৱাৰ পম নতুন
সঁচা হোৱাৰ মন চিৰ তৰুণ
মৰমেৰে কথা বৰ বিশাল

সজাগ হোৱাৰ পথ চিৰ নতুন
সজাগ হোৱাৰ চিৰ তৰুণ
চিন্তাৰ মাজেৰেই আহে জোঁৱাৰ....
কথা কোৱা অধিকাৰ আমাৰ

নিজক চোৱাৰ অধিকাৰ আমাৰ
তেজৰ নৈ বোৱাই কিনো পাম
নতুন গঢ়াৰ অধিকাৰ আমাৰ
আনক চোৱাৰ অধিকাৰ আমাৰ
চকু থাকিও কণা কিয় হ'ম?....

# মৃত্যুৰ মাজেৰেই এক যুগমীয়া ভাস্কৰ্যত পৰিণত হ'ল— হীৰেন ভট্টাচাৰ্য

বৰ্ণালী পাঠক
স্নাতক তৃতীয় বৰ্ষ



বিংশ শতিকাৰ শেষৰ তিনিটা দশক আৰু একবিংশ শতিকাৰ প্ৰথম দশক —এই চাৰিওটা দশকৰ আটাইতকৈ জনপ্ৰিয় কবিজন আছিল হীৰেন ভট্টাচাৰ্য। 'সুগন্ধি পখিলাৰ কবি' বা 'জোনাকী মন'ৰ কবি' বুলি খ্যাত হীৰেন ভট্টাচাৰ্য আছিল যথাৰ্থতে এগৰাকী মানুহৰ প্ৰতি, দেশৰ মাটি, পানী, বায়ুৰ প্ৰতি গভীৰ প্ৰেমেৰে হৃদয় ভৰি থকা এগৰাকী বিশিষ্ট কবি। তেওঁৰ কবিতাৰ মাজত প্ৰবাহিত হৈ আছিল এটি গভীৰ ৰোমাণ্টিক চেতনা। ক'তো দুৰ্বোধ্যতাৰ পৰিচয় নথকা, অথচ ব্যঞ্জনাদীপ্তিৰে সমৃদ্ধ হীৰেন ভট্টাচাৰ্যৰ কবিতাই পাঠকৰ অন্তৰ স্পৰ্শ কৰি হৃদয়ত সাঁচ বহুৱাই থৈ যায়। সেইবাবেই হীৰেন ভট্টাচাৰ্যৰ কবিতা মানুহৰ অন্তৰৰ এনে এক স্বাভাৱিক নিৰ্যাসলৈ ৰূপান্তৰিত হয়। আৰম্ভণি নোহোৱাকৈ আৰম্ভ হয় তেওঁৰ গীত, একেদৰে শেষ; নোহোৱাকৈ হয় শেষ য'ত থাকে গীতৰ সকলো।

*'এই জুইকুৰা ময়েই জ্বলালোঁ*
*জানো আই, এই জুইৰ পোহৰত*
*তোমাৰ ৰুগ্ন মুখত উদ্ভাসিত*
*হৈ উঠিব*
*পৃথিৱীৰ অপৰূপ ৰূপ।*
*সেয়ে, জুইকুৰা ময়েই জ্বলালোঁ।'*

হীৰেন ভট্টাচাৰ্যৰ প্ৰেমৰ কবিতাৰ স্নিগ্ধতা (বিষয় ৰাতিৰ ফুল, এজোপা গোলাপ, প্ৰেমৰ কবিতা) তেওঁৰ গীতবোৰলৈও সঞ্চাৰিত হৈছে—

১. *দূৰৰ তৰা দেখি*
*তোমাৰ গানকে গুণগুণাওঁ*
*কিজানিবা তোমাক*
*বুকুৰ মাজতে পাওঁ।*

২. *এদিন*
*বৰষুণৰ টোপালবোৰ*
*এনেকৈ পৰিছিল*
*যেন*
*সাইলাখ বকুল ফুল।*
*তোমাৰ হাতৰ বকুল ফুল।*

অৱশ্যে ভট্টাচাৰ্যৰ কবিতাৰ নাটকীয়তা, কোমলতা আৰু কাঠিন্যৰ বৈপৰীত্য (স্তম্ভিত বিদ্যুৎ)ৰ বিপৰীতে গীতবোৰত ঋজুৰৈখিক গতিহে লক্ষণীয়।

হীৰেন ভট্টাচাৰ্যৰ এই গীতি মানসৰ চূড়ান্ত পৰিণতি নব্বৈৰ দশকত কবিৰ ব্যক্তিগত দেহ সামাজিকতাত বিলীন হৈ যোৱাৰ ৰূপকল্পনাৰ জৰিয়তে ভৱিষ্যৎ প্ৰজন্মৰ মাজত কবিৰ বাঞ্ছা মূৰ্ত হৈছে—

১. *মোক চহাই মৈয়াই শইচৰ গুটি সিঁচি দিয়া*
*চকুৰ পানীৰে জীপ দিম শিলুৱা বুকুৰ মাটি*
*হাড়-হিমজুৰ সাৰত*
*লহ্‌পহ্‌কৈ বাঢ়ি উঠিব ধান-মাহ-সৰিয়হ-শইচৰ*
*সুদৃশ্য বৰ্ণমালা*

২. *তোমাৰ স্পৰ্শত জ্বলি উঠক মোৰ হাড়ৰ সমিধ (বীজ)*

৩. *তুমুল বৰষুণে ধুৱাই দিয়ক গছ-গছনি, চৰাই-চিৰিকটিৰ মাত*

*কোনোবা হাবিতলীয়া নিজান নৈৰ শিল-চেঁচা পানীৰ দাপোণত*
*জিল্‌মিল্ কৰক তোমাৰ ঘামে টল্‌বল্ মুখ।*

ভট্টাচাৰ্যৰ কেতবোৰ কবিতাত ইন্দ্ৰিয়ৰ সংশ্লেষণে অপূৰ্ব কাব্যিকতাৰ সঞ্চাৰ কৰে ঃ

১. *উপজি পুৱাতে ধানৰ সোণোৱালী ৰুণুকজুনুক মাত*
—দৃশ্য-চেতনা শ্ৰব্য-চেতনালৈ ৰূপান্তৰিত হৈছে।

২. *সন্থৰিয়াই গুছি যায় সুৰম্য উপত্যকা*
—পংক্তিটোত দৃশ্য আৰু শ্ৰব্য-চেতনা একাকাৰ হৈ গৈছে।

কবিৰ বহু আলোচিত 'জোনাকী মন'ৰ ২৬নং কবিতাত নিৰাভৰণ শব্দৰ জৰিয়তে দাৰ্শনিকতা মূৰ্ত হৈছে—

*'মৃত্যুওতো এটা শিল্প*
*জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য।'*

অসমীয়া কাব্য জগতত সুকীয়া স্থিতিৰে ৰাইজৰ মনৰ মণিকোঠাত আসন লাভ কৰিবলৈ সক্ষম হোৱা কবি হীৰেন ভট্টাচাৰ্য নিঃসন্দেহে আধুনিক যুগৰ এগৰাকী শ্ৰেষ্ঠ কবি। কবিতাৰ লগতে অনেক চিৰযুগমীয়া গীতৰ স্ৰষ্টা এইগৰাকী কবিয়ে অসমীয়া গীতি-সাহিত্যকো এক নতুন গতি প্ৰদান কৰে। তেওঁৰ গীত আৰু কবিতাই আধুনিক অসমীয়া সাহিত্য জগতত এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। শব্দৰ প্ৰতি অত্যন্ত সচেতন এইগৰাকী কবিয়ে জিভাৰ আগলৈ অহা শব্দ কলমৰ আগলৈ নাহিলে ঠিক কৰি লয় এনেদৰে —'কলম মোৰ কমাৰৰ হাতৰ হাতুৰী, ভাঙি-পিটি গঢ়ি লওঁ শব্দ'। শব্দৰ মায়াজালেৰে অসমীয়াৰ হৃদয়তন্ত্ৰীত আলোড়ন তুলিব পৰা এইগৰাকী কবিক অসম প্ৰকাশন পৰিষদৰদ্বাৰা প্ৰকাশিত 'এশ বছৰৰ অসমীয়া কবিতা' শীৰ্ষক গ্ৰন্থৰ পাতনিত হোমেন বৰগোহাঞিয়ে আধুনিক যুগৰ শ্ৰেষ্ঠ দহগৰাকী কবিৰ এজন বুলি আখ্যা দিছে।

আশী বছৰীয়া জীৱন পৰিক্ৰমাত তেওঁ অসমীয়া কাব্য আৰু গীতি-সাহিত্যলৈ যি যুগজয়ী অৱদান দি থৈ গ'ল, সি প্ৰতিগৰাকী অসমীয়াৰ হৃদয়ৰ কোঁহে কোঁহে অনুৰণিত হৈ থাকিব আৰু ইয়েই তেওঁক অমৰ কৰি ৰাখিব। "কবিৰ ভাষাৰেই ক'ব পাৰি —ব'দ গৈ গৈ ঢলি পৰিল সুৱৰ্ণ সূৰ্য।"

**হীৰেন ভট্টাচাৰ্যৰ জীৱন পৰিক্ৰমা ঃ**

জন্ম ঃ ১৯৩২ চনৰ ২৮ জুলাই।

জন্মস্থান ঃ যোৰহাট, অসম।

পিতৃ ঃ প্ৰয়াত তীৰ্থনাথ ভট্টাচাৰ্য, মাতৃ ঃ প্ৰয়াত স্নেহলতা ভট্টাচাৰ্য।

বিবাহ ঃ ১৯৭৩ চনত পাৰুল দেৱীৰ সৈতে বিবাহপাশত আবদ্ধ।

শিক্ষা ঃ ১৯৪৯ চনত কটন কলেজিয়েট স্কুলৰপৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ, বি. বৰুৱা কলেজত ইণ্টাৰমেডিয়েট পাঠ্যক্ৰম গ্ৰহণ।

**প্ৰকাশিত গ্ৰন্থ ঃ** ৰৌদ্ৰ কামনা (১৯৬৪), মোৰ দেশ মোৰ প্ৰেমৰ কবিতা (১৯৭২), বিভিন্ন দিনৰ কবিতা (১৯৭৪), কবিতাৰ ৰ'দ (১৯৭৬), তোমাৰ গান (১৯৭৬), সুগন্ধি পখিলা (১৯৮১), জোনাকী মন ঃ অনুৰাগ (১৯৮৫), শইচৰ পথাৰ মানুহ (১৯৯১), ভালপোৱাৰ বোকামাটি (১৯৯৬), মোৰ প্ৰিয় বৰ্ণমালা (১৯৯৫), ভালপোৱাৰ দিক্‌চৌ বাটেৰে (২০০০), হীৰেন ভট্টাচাৰ্যৰ বাছকবনীয়া কবিতা (২০০৩), সুগন্ধি পখিলা (২০০৫), কবিতাৰ ডাল-পাত (২০০৮), শিপাৰপৰা পাতলৈকে (২০০৯) আৰু হীৰেন ভট্টাচাৰ্যৰ কবিতা (২০১১)।

**শিশুগ্ৰন্থ ঃ** ল'ৰা ধেমালি (১৯৯১), আকৌ ধেমালি (১৯৯১) আৰু বৈ বৈ ধেমালি (২০০৮)।

**গীতৰ সংকলন ঃ** তোমাৰ গান (১৯৯৬)।

**সম্পাদিত আলোচনী ঃ** চিত্ৰবন (১৯৫৬), মনন (১৯৬৪) আৰু আন্তৰিক (১৯৬৯)।

**সম্পাদিত গ্ৰন্থ ঃ** আমাৰ মাজৰ ব্ৰজেন বৰুৱা (১৯৬২) আৰু প্ৰসংগ ঃ দধি মন্থন (১৯৮৮)।

**কবিতাৰ বাংলা সংকলন ঃ** জোনাকী মন ও অন্যান্য (১৯৯১), শসের মাঠ, মানুষ আৰু অন্যান্য (২০০২), শিপাৰ থেকে পাতা অবদি (২০১০) আৰু কৃষ্টি পৰে আঝৰে (২০১১)।

**বঁটা-সন্মান ঃ** ১৯৭৬ ঃ *'বিভিন্ন দিনৰ কবিতা'* গ্ৰন্থৰ বাবে অসম সাহিত্য সভাৰ ৰঘুনাথ চৌধুৰী বঁটা।

১৯৮৫ ঃ *'সুগন্ধি পখিলা'* গ্ৰন্থৰ বাবে অসম সাহিত্য সভাৰ বিষ্ণু ৰাভা বঁটা। *'সুগন্ধি পখিলা'* গ্ৰন্থৰ বাবে ভাৰতীয় বিদ্যা ভৱনৰ ৰাজাজী সাহিত্য বঁটা।

১৯৮৭ ঃ *'সুগন্ধি পখিলা'* গ্ৰন্থৰ বাবে ছোভিয়েট দেশ নেহৰু বঁটা।

১৯৯২ ঃ *'শইচৰ পথাৰ মানুহ'* গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা, উত্তৰ প্ৰদেশ হিন্দী সংস্থাৰ 'সৌহাৰ্দ্য সন্মান'।

১৯৯৩ ঃ *'শইচৰ পথাৰ মানুহ'* গ্ৰন্থৰ বাবে ভাৰতীয় ভাষা পৰিষদৰ 'বজালিনী বঁটা'।

২০০১ ঃ উইলিয়ামছন মেগৰ শৈক্ষিক ন্যাসৰ অসম উপত্যকা বঁটা।

২০১০ ঃ অসম চৰকাৰৰ গণেশ গগৈ বঁটা।

২০১১ ঃ মুম্বাইৰ ৰামনাথ ভট্টাচাৰ্য ফাউণ্ডেচনৰ পদ্মনাথ বিদ্যাবিনোদ স্মৃতি সাহিত্য পুৰস্কাৰ।

মৃত্যু ঃ ২০১২ চনৰ ৪ জুলাই। ❖❖❖

# জনগোষ্ঠীয় সমস্যা ঃ ইতিহাসৰ পটভূমিত

ড° ললিত চন্দ্ৰ ৰাভা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

অসমৰ বহুকেইটা জ্বলন্ত সমস্যাৰ ভিতৰত এটা প্ৰধান সমস্যা হৈছে জনগোষ্ঠীয় সমস্যা। ভূমি সমস্যা, ভাষা-সংস্কৃতি সংৰক্ষণৰ সমস্যা, আৰ্থ-সামাজিক সমস্যা আদি বিভিন্ন সমস্যাৰে আজি অসমৰ জনগোষ্ঠীসমূহ জুৰুলা হৈ পৰিছে। এই সমস্যাই এতিয়া এনেকুৱা ভয়াৱহ ৰূপ লাভ কৰিছে যে বহু সময়ত গোষ্ঠী সংঘাতৰ ৰূপ লৈছে আৰু বহু সময়ত নিৰপৰাধী মানুহৰ তেজেৰে অসম ৰাঙলী হৈছে। ই মুঠেই শুভ লক্ষণ নহয়। সেয়েহে এই সমস্যাটোৰ সমাধান সোনকালে হোৱাটো নিতান্তই প্ৰয়োজন। সমস্যাসমূহৰ সমাধান কৰিবলৈ হ'লে, এই সমস্যাসমূহনো কি কি আৰু সমস্যাসমূহৰ কেনেকৈ উদ্ভৱ হ'ল এই কথা বিশ্লেষণ কৰাৰ প্ৰয়োজন আছে।

বৰ্তমান সময়ত জনগোষ্ঠীবিলাকৰ প্ৰধান সমস্যা হৈছে ভূমি সমস্যা। এই সমস্যাৰ মুল কাৰণ হৈছে অবাধ হাৰত হোৱা অনুপ্ৰৱেশ। এই অনুপ্ৰৱেশক দুটা ভাগত ভগাই ল'ব পাৰি— (ক) স্বদেশীৰ অনুপ্ৰৱেশে আৰু (খ) বিদেশীৰ অনুপ্ৰৱেশ। স্বদেশীৰ অনুপ্ৰৱেশতকৈ বিদেশী অনুপ্ৰৱেশ জনজাতীয় এলেকাসমূহৰ ওপৰত এক বিৰাট চাপৰ সৃষ্টি কৰিছে। বিশেষকৈ বাংলাদেশৰপৰা হোৱা অবাধ অনুপ্ৰৱেশে জনজাতিসকলৰ স্বকীয় অস্তিত্বৰ প্ৰতিয়ে ভাবুকিৰ সৃষ্টি কৰিছে। এই বিদেশীৰ অনুপ্ৰৱেশ প্ৰাক্ স্বাধীনতা কালৰেপৰা ব্যাপক হাৰত হৈ আহিছে। এই কথা ১৯২১ চনৰ লোকপিয়লৰ টোকাই প্ৰতীয়মান কৰায়। এই লোকপিয়লত এই সমস্যাটোৰ বিষয়ে এনেদৰে কোৱা হৈছে— "In 1911, few cultivators from Eastern Bengal had gone to Goalpara. In the last decade (1911-21) the movement had extended for up the valley, and the colonist now form an appreciable element in population of all four lower and central districts. In Goalpara nearly 20% of the population is made up to their settler. The next favourite district is Nagaon where they form about 14% of the whole population. In Kamrup wastelands are being taken up specially in Barpeta sub-division. In Darang exploration and settlement by the colonists are an earlier state. They have not yet penetrated far from the banks of the Brahmaputra. Almost every train and steamer brings parties of these settles and it seems likely that their march will extend further up the Brahmaputra valley from the river before long." এই প্ৰব্ৰজনৰ হাৰ পৰৱতী কালত আৰু অধিক হ'বলৈ ধৰিলে। এনে ধৰণে ব্যাপক হাৰত প্ৰৱেশ কৰা লোকসকলে প্ৰথমতে চৰ অঞ্চলত বসবাস কৰিবলৈ লৈ ক্ৰমে ক্ৰমে অন্যান্য অঞ্চললৈ বিয়পিব ধৰে। বিশেষকৈ পতিত মাটি আৰু জনজাতি অধ্যুষিত অঞ্চলত থকা বিস্তৃত মুকলি ভূমিত বাস কৰিবলৈ ধৰিলে। ক্ৰমে ক্ৰমে সিহঁতে ছলে-বলে-কৌশলে সহজ-সৰল জনজাতিসকলৰ মাটি দখল কৰিবলৈ ধৰিলে। ফলত জনজাতিসকল ভূমিহীন আৰু গৃহহাৰা হ'বলৈ ধৰিলে। এই সমস্যাটোৰ সমাধান কৰিবলৈ ব্ৰিটিছ চৰকাৰে ১৯২০ চনত 'লাইন চিষ্টেম'ৰ (Line System) প্ৰৱৰ্তন কৰিলে। এই লাইন চিষ্টেমৰদ্বাৰা গাঁওসমূহক মুকলি গাঁও (Open village), সংৰক্ষিত গাঁও (Closed village) আৰু মিশ্ৰিত গাঁও (Mixed village)— এই তিনিটা ভাগত ভাগ কৰা হ'ল। মুকলি গাঁওসমূহত প্ৰব্ৰজিত লোকসকলক বসবাস কৰিবলৈ অনুমতি দিয়াৰ ব্যৱস্থা কৰা হ'ল। সংৰক্ষিত গাঁওসমূহত প্ৰব্ৰজিত লোকসকলৰ প্ৰৱেশ নিষিদ্ধ কৰা হ'ল। আনহাতে মিশ্ৰিত গাঁওসমূহ থলুৱা আৰু বহিৰাগত এই দুয়োটা শ্ৰেণীৰ বাবে মুকলি ৰখা হ'ল। এই লাইন চিষ্টেমে ব্যাপক হাৰত হোৱা বিদেশী প্ৰব্ৰজন আৰু অবাধ হাৰত হোৱা ভূমি অধিগ্ৰহণৰ সমস্যাৰ সমাধান কৰিব নোৱাৰিলে। বৰঞ্চ আৰু

ব্যাপক হাৰতহে জনজাতি এলেকাৰ মাটিত বিদেশীসকলে অনুপ্ৰৱেশ কৰিবলৈ ধৰিলে। এই সমস্যাটোৰ সমাধান কৰিবলৈ তেতিয়াৰ চৰকাৰে এই লাইন চিষ্টেমক পৰ্যালোচনা কৰিবলৈ এক কমিটি গঠন কৰি দিলে। 'লাইন চিষ্টেম কমিটি' হিচাপে জনাজাত এই কমিটিখনৰ চেয়াৰমেন আছিল F. W. Hockenhull। এই কমিটিয়ে লক্ষ্য কৰিলে যে এই ব্যাপক হাৰত হোৱা অনুপ্ৰৱেশৰ ফলত জনজাতি অধ্যুষিত অঞ্চলসমূহৰ বিস্তৰ ক্ষতি হৈছে। সেয়ে এই কমিটিখনে দুটা পৰামৰ্শ আগবঢ়ালে— (ক) গাঁওসমূহক এনেদৰে বিভাজিত কৰাৰ পৰিৱৰ্তে এক ব্যাপক অঞ্চল মৌজা বা ব্লকক প্ৰব্ৰজিত লোকসকলৰ অধিগ্ৰহণৰপৰা মুক্ত কৰি ৰাখিব লাগে। আৰু (খ) প্ৰব্ৰজিত লোকসকলক কিছুমান বিশেষ অঞ্চলত বসবাস কৰিবলৈ সুবিধা কৰি দি প্ৰব্ৰজনৰ ধাৰা অব্যাহত ৰাখিব লাগে। এই প্ৰতিবেদনৰ আধাৰত ১৯৩৯ চনৰ গোপীনাথ বৰদলৈ নেতৃত্বাধীন কংগ্ৰেছ সহযোগী চৰকাৰে (Congress-coalition Government) এক প্ৰস্তাৱ গ্ৰহণ কৰিলে আৰু এই প্ৰস্তাৱৰ জৰিয়তে প্ৰথমবাৰৰ বাবে ট্ৰাইবেল বেল্ট আৰু ব্লকৰ ধাৰণাটো অনা হ'ল। এই প্ৰস্তাৱৰ এটা অংশ এনেধৰণৰ আছিল— "The restrictions constituting the so-called Line System which have been in existence in the province for over 10 years past were primarily intended against the unending flow of Bengal immigrants cultivators and took the form of constituting certain areas in which settlement of land with such immigrants was prohibited. Government agree with the committee that in future the unit for such restriction or prohibition should, were possible, be larger. They consider that in the sub-montane areas it should be possible to constitute whole Mauza or compact parts of Mauzas inhabitated predominantly by backward and tribal classes into 'prohibited areas'. Elsewhere the whole village or a larger compact area is predominantly peopled by backward tribal classes. Such villages or areas may be constituted prohibited area. Within the prohibated areas constituted, immigrants cultivators shall not be allowed land either by settlement or by transfer of annual pattas, and any immigrants as taking up land or by squatting shall be evicted." এই প্ৰস্তাৱটো বৰদলৈ নেতৃত্বাধীন সহযোগী চৰকাৰখনে কাৰ্যকৰী কৰিব নোৱাৰিলে। কাৰণ তেওঁলোকে ভাৰত ত্যাগ আন্দোলন আৰম্ভ হোৱাৰ লগে লগে পদত্যাগ কৰিলে। ইয়াৰ পাচত ১৯৩৯ চনত চৈয়দ চাদুল্লাৰ নেতৃত্বত চৰকাৰ গঠন হয় আৰু এই চৰকাৰে পূৰ্বৰ চৰকাৰৰ প্ৰস্তাৱটো কাৰ্যকৰী নকৰি পেলাই থ'লে আৰু থলুৱা জনজাতিসকলৰ আশা-আকাংক্ষাক তল পেলাই পতিত মাটিসমূহক কিছুমান ব্লকত বিভক্ত কৰি প্ৰতি বিঘাত পাঁচ টকাৰ বিনিময়ত বহিৰাগত লোকসকলক বসবাস কৰিবলৈ সুবিধা কৰি দিলে। ১৯৪১ চনত চৈয়দ চাদুল্লাৰ চৰকাৰখনৰ পতন হ'ল আৰু তেতিয়াৰ গৱৰ্ণৰ ছাৰ ৰবাৰ্ট ৰেইদে অসমৰ শাসনভাৰ ল'লে। তেওঁ পৰিস্থিতি অধ্যয়ন কৰি পূৰ্বৰ লাইন চিষ্টেমক সমৰ্থন কৰিলে আৰু কোনো বহিৰাগতই যাতে সংৰক্ষিত এলেকাসমূহত প্ৰৱেশ কৰিব নোৱাৰে, তাৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ডেপুটি কমিচনাৰক আদেশ দিলে। ১৯৪২ চনত ব্ৰিটিছ চৰকাৰক পূৰ্ণ সমৰ্থনৰ প্ৰতিশ্ৰুতিৰে চৈয়দ চাদুল্লাৰ নেতৃত্বত পুনৰ চৰকাৰ গঠিত হ'ল। এইখন আছিল মুছলিম লীগ নেতৃত্বাধীন চৰকাৰ। তেওঁলোকে 'খাদ্যশস্য অধিক উৎপাদন' কৰাৰ নামত ব্যাপক হাৰত বহিৰাগত প্ৰব্ৰজনক সমৰ্থন কৰিলে আৰু জনজাতি অধ্যুষিত মুকলি এলেকাসমূহত বহিৰাগতসকলক বাস কৰিবলৈ অনুপ্ৰাণিত কৰিলে। তেতিয়া গোটেই অসম উপত্যকা জুৰি এই কাৰ্যৰ তীব্ৰ প্ৰতিবাদ হ'ল। তেতিয়া চাদুল্লা চৰকাৰে এই নীতিৰ সংস্কাৰ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিলে যদিও সেই মুহূৰ্ততে মুছলিম লীগ নেতৃত্বাধীন চৰকাৰখনৰ পতন হ'ল। ১৯৪৫ চনত চাদুল্লাৰ নেতৃত্বত পুনৰ চৰকাৰ গঠন হ'ল। এই চৰকাৰে পূৰ্বৰ প্ৰস্তাৱটো নাকচ কৰি এক নতুন আঁচনি গ্ৰহণ কৰিলে। এই আঁচনিৰ চাৰিটা দিশ হ'ল— (১) পতিত মাটিত বসবাসৰ অনুমতি প্ৰদান, (২) ১৯৩৮ চনৰ ১ জানুৱাৰীৰ পূৰ্বতে অহা ভূমিহীন বহিৰাগত লোকসকলক থলুৱা ভূমিহীন লোকৰ সমান মৰ্যাদা দি পতিত মাটিত বসবাসৰ সুবিধা দিয়া, (৩) জনজাতি লোকসকলক তেওঁলোকৰ অধ্যুষিত অঞ্চলসমূহত তেওঁলোকৰ আৰ্থ-সামাজিক দিশত প্ৰভাৱ পেলোৱা আক্ৰমণাত্মক উপাদানবোৰৰপৰা ৰক্ষা কৰা আৰু (৪) ঘাঁহনি আৰু অন্যান্য অঞ্চসমূহ অধিগ্ৰহণ কৰা লোকসকলক উচ্ছেদ কৰি তত্ত্বাৱধান কৰা। এই আঁচনিৰ ৩নং দফা অনুযায়ী ৫০ শতাংশ বা ততোধিক জনজাতি লোকে বসবাস কৰা অঞ্চলক লৈ ট্ৰাইবেল বেল্ট গঠন কৰাৰ প্ৰস্তাৱ লোৱা হয়— "At the same time as statistics are being compiled of areas of cultivable waste,

additional information will be collected of all villages in which the percentage of persons of tribal classes (as defined in the census instructions 1940) exceeds 50 percent and of the areas in those villages occupied by tribals and others. These villages will marked on maps, and when the enquiries have been completed, a Tribal Belt or Belts in the sub-montane areas will be notified, the boundaries being fixed with regard either to easily recognisable geographical features or following the boundaries of Mauza....... Provisions will also be made for creation of Tribal Blocks side by side with the blocks of other communities in the planned settlement Areas where Tribal people have their villages and homes."

জনজাতি অঞ্চলসমূহৰ সীমা নিৰ্ধাৰণ কৰাৰ কাৰণে হেম বৰাক নিয়োগ কৰা হ'ল। এইখিনি মুহূৰ্ততে চাদুল্লা চৰকাৰৰ পুনৰ পতন হ'ল আৰু সংখ্যাগৰিষ্ঠ ভোট লৈ গোপীনাথ বৰদলৈৰ নেতৃত্বত চৰকাৰ গঠন হ'ল। এই চৰকাৰে ট্ৰাইবেল বেল্ট আৰু ব্লকসমূহ গঠন কৰাৰ পদক্ষেপ গ্ৰহণ কৰিলে। পূৰ্বতে নিয়োজিত বিষয়াই ক্ষেত্ৰলৈ গৈ জনজাতি আৰু পিচপৰা সম্প্ৰদায়ৰ ৫০ শতাংশ লোক বসবাস কৰা অঞ্চলসমূহ চিনাক্ত কৰিলে আৰু ১৮৮৬ চনৰ অসম ভূমি আৰু ৰাজহ নীতিৰ সংস্কাৰ কৰি দশম অধ্যায় সংযোজন কৰি জনজাতি আৰু পিচপৰা সম্প্ৰদায়ৰ সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ল। ১৯৬৪ চনলৈ ১১টা বেল্ট আৰু ২৪টা ব্লকেৰে ৩৫টা ট্ৰাইবেল বেল্ট আৰু ব্লক গঠন কৰা হ'ল। ১৯৭৭ চনত পুনৰ দহটা ট্ৰাইবেল বেল্ট আৰু ব্লক গঠন কৰা হয়।

এতিয়ালৈ গঠন হোৱা ট্ৰাইবেল বেল্ট আৰু ব্লক হৈছে ক্ৰমে ১৪টা আৰু ৩১টা। এই বেল্ট আৰু ব্লকসমূহত ১৬,৭২,৮৭৩ হেক্টৰ ভূমি আৰু ৩,৫৭১ খন ৰাজহ গাঁও আছে। এই বেল্ট আৰু ব্লকসমূহত ২০/৪/৪৯ তাৰিখৰ RD/2/47/43 নং জাননীযোগে নিম্নলিখিত শ্ৰেণীসমূহক সংৰক্ষিত বুলি ঘোষণা কৰা হৈছে—

(ক) ভৈয়াম জনজাতি

(খ) পৰ্বতীয়া জনজাতি

(গ) চাহ জনজাতি

(ঘ) চাওতাল

(ঙ) নেপালী গো-পালক

(২৭/৬/৬৯ তাৰিখৰ RSD/26/64/PT নং জাননীযোগে নেপালী গো-পালকসকলক এই সংৰক্ষিত শ্ৰেণীৰপৰা বাদ দিয়া হয়)

(চ) অনুসূচিত জাতি।

এই শ্ৰেণীসমূহক ৰক্ষণাবেক্ষণ দিয়াৰ কাৰণে ১৮৮৬ চনৰ অসম ভূমি আৰু ৰাজহ নীতিৰ পুনৰ সংশোধন কৰি দুটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়— (ক) সংৰক্ষিত শ্ৰেণীৰ বাহিৰে অথবা ট্ৰাইবেল বেল্ট আৰু ব্লকসমূহত স্থায়ীভাৱে বসবাস নকৰা কোনো লোকৰ নামত ভূমি হস্তান্তৰ কৰিব নোৱাৰিব। আৰু (খ) ডেপুটি কমিছনাৰৰ আগতীয়া অনুমতি নোহোৱাকৈ কোনো লোকে সংৰক্ষিত শ্ৰেণীৰ অন্তৰ্ভুক্ত নোহোৱা অথবা ট্ৰাইবেল বেল্ট আৰু ব্লকত স্থায়ীভাৱে বসবাস নকৰা লোকৰ নামত ভূমি হস্তান্তৰ কৰিব নোৱাৰিব। কিবা কাৰণত তেনে লোকলৈ মাটি হস্তান্তৰ হ'লেও কোনো আইনগত অধিকাৰ নাথাকিব। অসম ভূমি আৰু ৰাজহ আইনৰ দশম অধ্যায়ৰ 167-নং দফা অনুযায়ী এই বিষয়ত বিচাৰ কৰিবলৈ কোনো চিভিল কোৰ্টৰে বিধিগত কৰ্তৃত্ব নাথাকিব।

এনেদৰে আইনগত ব্যৱস্থা থকা সত্ত্বেও কিন্তু ট্ৰাইবেল বেল্ট আৰু ব্লকৰ মাটি প্ৰব্ৰজনকাৰীৰ হাতলৈ গৈয়ে আছে আৰু এতিয়া এনেকুৱা এটা পৰ্যায় পাইছে যে বহুতো ট্ৰাইবেল বেল্ট আৰু ব্লকত এতিয়া জনজাতিসকল সংখ্যালঘুত পৰিণত হৈছে। ইয়াৰ ফলত কৃষিজীৱী জনজাতিসকলৰ আৰ্থ-সামাজিক দিশত নেতিবাচক প্ৰভাৱ পৰিছে। কৃষিভূমিৰ পৰিমাণ কমি যোৱাৰ লগে লগে জনজাতি লোকসকল আৰ্থিকভাৱে জুৰুলা হৈ পৰিছে।

জনজাতিসকল নিজৰ ভূমিতে সংখ্যালঘুত পৰিণত হোৱাৰ লগে লগে তেওঁলোকৰ ভাষা-সংস্কৃতিতো প্ৰভাৱ পৰিছে। বহুকেইটা জনজাতীয় ভাষা এতিয়া মৃত্যুৰ মুখত। ৰাজ্যখনৰ জনজাতিসকলৰ ভাষা-সংস্কৃতি সংৰক্ষণ আৰু গৱেষণা কৰাৰ কাৰণে এটা বিভাগ আছে যদিও তাৰ কাম-কাজ মুঠেই সন্তোষজনক নহয়। বিভাগটোলৈ কেন্দ্ৰীয় চৰকাৰৰপৰা যথেষ্ট পৰিমাণৰ আৰ্থিক সাহায্য আহে যদিও তাৰপৰা জনজাতীয় ভাষা-সংস্কৃতিবোৰৰ বিশেষ উন্নতি হোৱা পৰিলক্ষিত হোৱা নাই।

স্বাধীনতাৰ বহু কাল পাচলৈকে জনজাতীয় এলেকাবোৰত শিক্ষানুষ্ঠান গঢ়ি নুঠাৰ কাৰণে জনজাতিসকল অন্যান্য শ্ৰেণীৰ তুলনাত শিক্ষাৰ ক্ষেত্ৰত পিচ পৰি থাকিবলগা হ'ল। এই ক্ষেত্ৰত শিক্ষাৰ মধ্যেমেও জনজাতিসকলৰ শৈক্ষিক অগ্ৰগতিত নেতিবাচক প্ৰভাৱ পেলোৱা দেখা যায়। নিজৰ মাতৃভাষাত শিক্ষা গ্ৰহণ নকৰি

এটা বেলেগ ভাষাত শিক্ষা গ্ৰহণ কৰিবলগা হোৱাৰ কাৰণে বহু সমস্যাৰ সৃষ্টি হ'ল। সম্প্ৰতি ৰাষ্ট্ৰসংঘৰ বিপৰ্তিত সকলো জনগোষ্ঠীৰ নিজৰ মাতৃভাষাত শিক্ষা গ্ৰহণৰ অধিকাৰ নিশ্চিত কৰা সত্বেও বহুকেইটা জনজাতীয় ভাষাক আজিলৈকে শিক্ষাৰ মাধ্যমৰ মৰ্যাদা দিয়া নহ'ল। এয়া জনজাতিসকলৰ প্ৰতি চৰকাৰৰ চৰম অন্যায়।

আনহাতে চৰকাৰী চাকৰিৰ ক্ষেত্ৰত ভৈয়াম জনজাতিসকলৰ ক্ষেত্ৰত দহ শতাংশ আৰু পৰ্বতীয়া জনজাতিসকলৰ ক্ষেত্ৰত পাঁচ শতাংশ সংৰক্ষণৰ ব্যৱস্থা আছে যদিও জনজাতি প্ৰাৰ্থীসকল প্ৰায়েই বঞ্চিত হ'বলগা হয়। অজনজাতীয় এলেকাসমূহৰ কথা বাদেই, জনজাতীয় এলেকাসমূহৰ স্কুল, কলেজ, অফিচ আৰু স্থানীয় নিকায়সমূহত সংৰক্ষণৰ নীতি অনুযায়ী থাকিবলগীয়া জনজাতীয় লোক নাই। এই ক্ষেত্ৰত নিয়োগকৰ্তাসকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা ল'বলৈ নিৰ্দেশ আছে। কিন্তু বৰ মজাৰ কথা হ'ল যে সংৰক্ষণ বিধি উলংঘা কৰা বিষয়াসমূহৰ বিৰুদ্ধে যি শাস্তিমূলক ব্যৱস্থা লোৱাৰ কথা আইনখনত আছে, সেয়া মুঠেই সন্তোষজনক নহয়।

এনেদৰে জনজাতি লোকসকল আজি বিভিন্ন সমস্যাৰে জৰ্জৰিত। তাৰেই ফলস্বৰূপে জনজাতি লোকসকলে সময়ে সময়ে বিভিন্ন আন্দোলনৰ কাৰ্যসূচী ল'বলগা হৈছে। এইবোৰ লক্ষ্য কৰি ভাৰত চৰকাৰে ১৯৬৭ চনত অসমত ফেডাৰেল গাঁথনিৰ শাসন ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে প্ৰস্তাৱ দিছিল। কিন্তু একশ্ৰেণীৰ লোকে তাৰ বিৰোধিতা কৰাৰ কাৰণে সেই ব্যৱস্থা প্ৰৱৰ্তন কৰা নহ'ল। কিন্তু তাৰ ফলত পৰ্বতীয়া জনজাতীয় লোকসকল অধিক ক্ষোভিত হ'ল আৰু পৃথক ৰাজ্য গঠনৰ আন্দোলন তীব্ৰতৰ কৰি তুলিলে। ফলত মেঘালয়, অৰুণাচল, মিজোৰাম আদি সুকীয়া ৰাজ্য গঠনেৰে পৰ্বতীয়া জনজাতিসকল অসমৰপৰা আঁতৰি গ'ল। ভৈয়ামৰ জনজাতিসকল অসমৰ লগত থাকিল যদিও অনগ্ৰসৰতাই তেওঁলোককো অসন্তুষ্ট কৰিলে। ফলত পৃথক বড়োলেণ্ডৰ দাবী উঠিল। অন্যান্য জনজাতীয় লোকসকলেও স্বায়ত্ত শাসনৰ দাবী তুলিলে। এই আন্দোলনসমূহক শান্ত কৰাৰ কাৰণে বড়োলেণ্ড, ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদ, মিচিং স্বায়ত্ত শাসিত পৰিষদ, দেউৰী স্বায়ত্ত শাসিত পৰিষদ, তিৱা স্বায়ত্ত শাসিত পৰিষদ, সোণোৱাল স্বায়ত্ত শাসিত পৰিষদ আদি গঠন কৰা হ'ল যদিও কেৱল কাৰ্বি আংলং, বড়োলেণ্ড আৰু ডিমা হাছাও স্বায়ত্ত শাসিত পৰিষদকহে ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচী অনুযায়ী গঠন কৰা হ'ল। বাকী স্বায়ত্ত শাসিত পৰিষদকেইখনক মাত্ৰ কেইটামান বিভাগহে অৰ্পণ কৰি নিজৰ দলৰ মানুহেৰে পৰিষদসমূহ গঠন কৰি চলাই থাকিল। এই স্বায়ত্ত শাসিত পৰিষদসমূহ গঠন কৰা পোন্ধৰ বছৰ পাৰ হ'ল যদিও আজিলৈকে নিৰ্বাচনৰ জৰিয়তে পৰিষদসমূহ গঠন কৰা নহ'ল। আনহাতে সংবিধানৰ ষষ্ঠ অনুসূচী মতে এই পৰিষদসমূহ গঠন নোহোৱাৰ কাৰণেও কাম-কাজ কৰাত যথেষ্ট অসুবিধা হয়। ফলত এনেকুৱা পুতলা স্বায়ত্ত শাসনৰপৰা জনজাতি লোকসকলৰ বিশেষ উন্নতি হোৱা নাই। ❖❖❖

# স্বাস্থ্য ৰক্ষাৰ দহোটা উপায়...

- সুষম আৰু পৰিমিত আহাৰ গ্ৰহণ কৰিব লাগে।
- নিয়মিত ব্যায়াম কৰিব লাগে।
- উদ্বিগ্নতা বা উৎকণ্ঠা কমাই কৰা।
- দৈনিক প্ৰাণায়ম কৰা।
- উপবাসে থকা ভাল, মাহেকত।
- খং নিয়ন্ত্ৰণ কৰা।
- প্ৰাণ খুলি হঁহা।
- মনটোক সুখী কৰি ৰখা।
- মনটোক উৎসাহিত কৰা।
- মাদক দ্ৰব্য বৰ্জন কৰা।

# বিহংগম দৃষ্টিত ঃ কাৰ্বি জনজাতি

প্ৰহ্লাদ বড়ো

কাৰ্বিসকল সৌ সিদিনালৈকে মিকিৰ অৰ্থাৎ মেকুৰী প্ৰাণীৰ লগত বিজৰিত ভাবাৰ্থ থকা জনজাতি বুলি কোৱা হৈছিল। কাৰ্বি শব্দটোকো বুৰঞ্জীবিদ গুণাভিৰাম বৰুৱাদেৱে সংস্কৃত শব্দ ক্ৰব্য অৰ্থাৎ মাংস/ক্ৰব্যাদ অৰ্থাৎ মাংসাশীৰ অপভ্ৰংশ হ'ব পাৰে বুলি ব্যাখ্যা আগবঢ়াইছে। এই বক্তব্যসমূহে কাৰ্বি জনগোষ্ঠীৰ মনত বাৰুকৈয়ে আঘাত কৰিছিল। কাৰ্বি বুৰঞ্জীবিদ মণিকি ফাংচুদেৱে মিকিৰ শব্দটোৰ বিশ্লেষণ এনেদৰে উপস্থাপন কৰিছে— গাঁৱৰ গাঁওবুঢ়াক পাহাৰী কাৰ্বিবোৰে চাৰ্থে আৰু ভৈয়ামবাসীসকলে ৰংথে/বাংথে বোলে। গাঁৱৰ প্ৰতিজন সদস্যক মেকৰ বোলা হয়। এই মেকৰ শব্দৰপৰাই মিকিৰ হোৱা বুলি তেখেতে দাবী কৰে। যিয়েই নহওক, ১৯৫২ চনত গঠন কৰা মিকিৰ হিলছ জিলা পৰিষদক ১৪ অক্টোবৰ/১৯৭৬ত কাৰ্বি আংলং জিলা পৰিষদ বুলি পুনৰ নামকৰণ কৰা হয়।



বিষ্ণু ৰাভাদেৱে কাৰ্বি জাতিক ৰামায়ণৰ বালিৰ বংশধৰ বুলি কোৱাৰ লগতে অসমৰ কলম্বাছ অৰ্থাৎ প্ৰথম ভূমিপুত্ৰ বুলি অভিহিত কৰিছে। দেওধাই অসম বুৰঞ্জীত কাৰ্বিসকলৰ বিষয়ে এনেদৰে পোৱা যায়— অতীজত হেমফু মোখৰাঙ বংশৰ কংস অসমৰ সকলো পৰ্বতীয়া জাতিৰ ৰজা আছিল। তেওঁৰ ছাম আৰু জাম নামে দুজন পুতেক আছিল। ছাম চিকাৰী আৰু জাম খেতিয়ক আছিল। নগা, কুকি, ডফলা আৰু মিচিমিক কাৰ্বিবিলাকে ছামৰ সন্তান বোলে। জামৰ পুতেক ৰংথাং থেকপ' আৰু ছিংবাৰ্বে। ছামৰ পাচত ৰংথাং থেকপ' ৰজা হয়। সেইদিনত ভপং-ৰংকেৰ আৰু ৰেকৃপিৰংকেৰ নামে দুবিধ পূজা কৰা হৈছিল। সেই পূজাত নৰবলি দিয়া হৈছিল। ৰজা-প্ৰজা সকলোৱে পাল পাতি এই পূজাত বলিৰ বাবে মানুহ দিব লাগিছিল। এবাৰ ৰংথাং থেকপ'ই মানুহ দিবলগাত পৰিছিল। তেওঁ অপুত্ৰক কাৰণে ছিংবাৰ্বেৰ একমাত্ৰ পুতেকক বলি দিয়াৰ প্ৰস্তাৱ কৰে। এই প্ৰস্তাৱত অসন্তুষ্ট হৈ ককায়েকৰ ৰাজ্য ত্যাগ কৰি মান দেশৰ কাষত ৰাজ্য স্থাপন কৰে। ছিংবাৰ্বে শব্দৰ অৰ্থ হ'ল অসমান আৰু এই শব্দৰপৰাই অসম নাম হোৱা বুলি বহুতে দাবী কৰিছিল। বুৰঞ্জীবিদ স্বৰ্গীয় সৰ্বানন্দ ৰাজকুমাৰদেৱে উপৰোক্ত ব্যাখ্যাক ভিত্তিহীন বুলি অভিহিত কৰিছে। ছিংবাৰ্বেৰ মৃত্যুৰ পিচত তেওঁৰ পুত্ৰ বৃচ্ছুকৈদা ৰজা হৈ পশ্চিমে পাৰ্কে ৰংটেকলং, নামৰামান আৰু কামাখ্যা পৰ্যন্ত ৰাজ্য বিস্তাৰ কৰে। এখেতৰ তিনিজন পুত্ৰ— পাৰক, আৰলেং, চুমাংসকলে নিজৰ নামত তিনিখন ৰাজ্য শাসন কৰে। ইয়াৰ শেষৰজনৰ ৰাজ্য খাচিয়া দেশৰ ফালে আছিল।

ড° ডনাল্ড টেৰণদেৱে কাৰ্বিসকলে প্ৰাক্-ঐতিহাসিক কালত পশ্চিম এছিয়াত বাস কৰাৰ কথা কৈছে। কাৰ্বি জনপ্ৰবাদমতে তেওঁলোকৰ আদিম ভূমিৰ নাম হ'ল— লংলে আচেতে, অৰ্থাৎ

পৃথিৱীৰ নাভিকেন্দ্ৰ। এই নাভিকেন্দ্ৰটো ইজিপ্ত, বেবিলন সভ্যতাত গঢ় লৈ উঠা, বাইবেলৰ অ'ল্ড টেষ্টামেণ্টত উল্লেখ থকা হিব্ৰুভাষী ইহুদিসকলৰ (ইজৰাইল) এলেকা বুলি অভিহিত কৰিছে। কিয়নো এই সভ্যতাৰ সামাজিক, ধাৰ্মিক আচাৰ-বিচাৰৰ লগত কাৰ্বিসকলৰ বহুতো সাদৃশ্য আছে। উল্লেখিত স্থানৰপৰা নেপালৰ কাঠমাণ্ডু হৈ তিব্বত, চীন, মগলীয়া, ব্ৰহ্মদেশত বসবাস কৰি অসমত প্ৰৱেশ কৰিছিল। নেপালৰ লেপ্চা/তামাং জনগোষ্ঠীৰ লগত কাৰ্বি সমাজ ব্যৱস্থাৰ বহুতো মিল পোৱা যায়। চীন দেশৰ ইয়াংচিকিয়াং আৰু হোৱাংহো নদীৰ উপত্যকাত তিব্বত-বৰ্মীভাষী জনগোষ্ঠীসকলে বসবাস কৰাটো ঐতিহাসিকভাৱে সত্য। কাৰ্বি সমাজৰ কিংবদন্তি, পৰম্পৰাগত লোক-গাঁথনিবিলাকত তিব্বতৰ ৰাজধানী লাছাৰ উল্লেখ পোৱাৰ লগতে তাত বৰ্তমানেও কাৰ্বি জনগোষ্ঠীৰ লোক থকা বুলি জনা গৈছে। এইটো নিশ্চিত যে, বৰ্তমান অসমৰ ভৌগোলিক এলেকাত প্ৰৱেশ কৰাৰ আগতে তেওঁলোক ব্ৰহ্মদেশত আছিল আৰু সেই অঞ্চলত এতিয়াও কম পৰিমাণে কাৰ্বি জনগোষ্ঠীৰ মানুহ আছে বুলি জানিব পৰা গৈছে। তেওঁলোক বৌদ্ধধৰ্মৰ অনুগামী। কাৰ্বিসকলে নিজকে আৰলেং অৰ্থাৎ পাহাৰৰ এঢলীয়া ঠাইত থকা বাসিন্দা বুলি কয়। এওঁলোকৰ গীত-মাতত ব্ৰহ্মদেশৰ আৰাকান পাহাৰৰ মুৰি-মুৰং, চালু, মুকিংডং আদি ঠাইৰ নাম আৰু নদীৰ ভিতৰত মাছুম লাংচো, লাং-হেৰাং আদি উল্লেখ আছে।

কাৰ্বিসকলে অসমলৈ আহোঁতে তিনিটা পথেৰে আহিছিল— (ক) আৰাকান-পাটকাই পাহাৰ, (খ) চিন্দুইন-মণিপুৰ, (গ) ইৰাৱতী-আৰাকান প্ৰদেশ। এওঁলোকে অসমক বৰচে-বাৰকেং অৰ্থাৎ সিঁচৰতি হৈ থকা মানুহৰ মৰাশৰে ভৰি থকা ঠাই বুলি কৈছিল; কিয়নো সেই সময়ত কলেৰা, প্লেগ আদি মহামাৰী ৰোগত বহু মানুহ মৰিছিল আৰু নিৰ্দিষ্ট ঠাইত সৎকাৰ কৰিবৰ কাৰণে অপাৰগ হৈছিল। মিঃ এডৱাৰ্ড ষ্টেক আই. চি. এছ. চাহাবে লিখি যোৱা মতে— ১৮৯১ চনত কাৰ্বিসকলৰ জনসংখ্যা আছিল ৯৪,৮২৯ জন। কিন্তু ক'লাজ্বৰ, প্লেগ আদি মহামাৰীৰ বাবে ১৯০১ চনত তেওঁলোকৰ জনসংখ্যা ৮৭,০৪৬ জন হয়গৈ।

বিষ্ণু ৰাভাদেৱে লাংচলিয়েত, লাংডিং (বৰ্তমানৰ লামডিং), খালাং (বৰ্তমানৰ কলং), লাংখা (বৰ্তমানৰ লংকা), লাংক্লোং (বৰ্তমানৰ কপিলী), লাংফেৰ আদিৰ নাম কাৰ্বি ভাষাৰপৰা অহাৰ তথ্য সদৰি কৰিছে। কাৰ্বিভাষাত লাং মানে পানী, ক্লপি মানে জোন। পৰম্পৰাগতভাৱে চলি অহা লোক-গাঁথাত উল্লেখ আছে যে, সুনিত সিংহ নামৰ এজন কাৰ্বি যুৱক কলং-কপিলী নদীৰ পাৰৰ মায়ং ৰাজ্যৰ ৰজা আছিল। বৰ্তমানৰ কাজিৰঙা অভয়াৰণ্য আচলতে এটা কাৰ্বি শব্দহে। কাজিৰ-অ-ৰং অৰ্থাৎ কাজিৰ = কাজিৰ নামৰ কাৰ্বি ছোৱালী, অ=ৰ আৰু ৰং=গাঁও। থোৰতে কাজিৰঙা মানে হ'ল কাজিৰ নামৰ কাৰ্বি ছোৱালী থকা গাঁও। ৰহা ঠাইখনৰ নামো কাৰ্বিসকলৰ ৰংহাং ফৈদৰপৰা অহা বুলি কোৱা হয়।

পৰ্বতীয়া কাৰ্বিসকল তিনিটা ভাগত বিভক্ত— (ক) চিনটেং, (খ) ৰাংথাং আৰু (গ) আম্‌ৰি চিমটোংবিলাক কাৰ্বি আংলঙত, ৰংহাংবিলাক ডিমা হাছাও আৰু নগাঁৱত, আম্‌ৰি কাৰ্বিসকল খাচিয়া জয়ন্তীয়া পাহাৰৰ লগতে কামৰূপ (মহানগৰ) জিলাত বসবাস কৰি আছে।

কোৱা হয় যে, কাৰ্বিসকলেই অসমত বিশেষকৈ পাহাৰত কৰা ঝুমখেতিৰ ধানৰ সঁচ আনিছিল। তেওঁলোকৰ লক্ষী কেপলাং আৰু পৰম আলুন (এই শব্দকেইটাত আৰ্য জনগোষ্ঠীৰ সংস্কৃত ভাষাৰ প্ৰভাৱ লগতে লক্ষ্মী দেৱীৰ প্ৰভাৱ কৰিছে)ৰ প্ৰাৰ্থনা গীত গাওঁতে এইটো উল্লেখ আছে যে, টেৰণ ৰংচপো নামৰ ব্যক্তি এজনে কাথি ভেছো আৰু ৰেকাথি দিমৰ ধানৰ সঁচ নিগনিৰ সহায়ত স্বৰ্গৰপৰা মৰ্ত্যলৈ আনিছিল। তিব্বত-বৰ্মীভাষী জনগোষ্ঠীসকলে তিব্বতত শালিধান আৰু ঝুমখেতিৰ ধানৰ কাৰিকৰী বিদ্যা শিকি বিভিন্ন দেশ-বিদেশলৈ লৈ গৈছিল। বিশেষকৈ দুৰ্বল জনগোষ্ঠীৰ লোকে পাহাৰৰ ঝুমথলীত ধানখেতি কৰিছিল, যিহেতু পাহাৰুৱা ঠাইত শত্ৰু জনগোষ্ঠীয়ে কমকৈ আক্ৰমণ কৰিছিল।

স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনত (১৬৪৮-৬৩) ৰজা শত্ৰুৰ টেকেলা সন্দিকৈ ৰহিয়াল বৰুৱাই ৰহা চকীত ১২ ঘৰ কাৰ্বি আৰু ১২ ঘৰ লালুং স্থাপন কৰি তেওঁলোকক কৰতলীয়া ৰাজ্য হিচাপে স্থাপন কৰিছিল। উল্লেখ্য যে, আহোম অহাৰ আগতে ৰহা কছাৰী ৰাজ্যৰ অধীনত আছিল। ১৭৬৫ চনত স্বৰ্গদেউ ৰাজেশ্ব সিংহৰ দিনত কাৰ্বি ৰজাই বিদ্ৰোহ কৰে আৰু আহোমসকলে সৈন্য পঠিয়াই দমন কৰে। পাচত কাৰ্বি ৰজাই দিবলগীয়া কৰ শোধাবলৈ মান্তি হয়। স্বৰ্গদেউ জয়ধ্বজ সিংহৰ উদ্যোগত ডিমৰীয়াত স্বাধীন ৰাজ্য স্থাপিত হৈছিল। এই ৰাজ্য ৫খন ক্ষুদ্ৰ ৰাজ্য আছিল।

বৰ্তমানৰ ডিমাপুৰৰ নিকটস্থ ধনশিৰি নদীৰ উপত্যকাত কাৰ্বি ৰাজ্য আছিল। ধনশিৰি নামটো কাৰ্বি শব্দ— 'দনচুৰি-অ-ৰৈ'ৰপৰা আহিছে। পাচত কছাৰী ৰজাই সেই ঠাই দখল কৰি নদীখনৰ নাম ধনশিৰি বুলি নামকৰণ কৰে। ডিমাপুৰস্থ কছাৰী ৰজাৰ এটা সিংহ পোৱালি আছিল। ইয়াক খুৱাবৰ কাৰণে ডিমাপুৰ অঞ্চলৰ কাৰ্বি তথা লালুং মহিলাসকলে প্ৰতিদিনে নিজৰ বুকুৰ গাখীৰ দিব

লাগিছিল। ইয়াতে অতীষ্ঠ হৈ ৰংফাৰপি ৰংবে নামৰ এজনী মহিলাই বলপূৰ্বকভাৱে বুকুৰ গাখীৰ সংগ্ৰহ কৰা ৰজাৰ চৰজনক কুঠাৰেৰে ঘপিয়াই হত্যা কৰে আৰু কাৰ্বিসকলে ভয়ত বিতত হৈ জয়ন্তীয়া ৰাজ্যৰ অন্তৰ্গত হামৰেণ এলেকালৈ (বৰ্তমান কাৰ্বি আংলং জিলাৰ মহকুমা) যায়।

জনশ্ৰুতি মতে টাহিন টকবিপি নামৰ জনকৈ সুন্দৰী কাৰ্বি গাভৰু আছিল। সেই সময়ৰ জয়ন্তীয়া ৰজাই তেখেতক চপাবৰ কাৰণে পাং পাতিছিল। তেতিয়া উক্ত কাৰ্বি গাভৰুজনীয়ে বেতৰ কাঁইটত বনৌষধি লগাই কপালৰপৰা নাক আৰু ওঁঠৰ ওপৰেদি ডিঙিলৈকে দাগ দি নিজকে অশুৱনি কৰিছিল আৰু এই প্ৰথা পৰম্পৰাগতভাৱে বহুদিনলৈ কাৰ্বি গাভৰু-মহিলাসকলে পালন কৰিছিল। জয়ন্তীয়াসকলৰ মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ লগতে অত্যাচাৰত বিতুষ্ট হৈ কাৰ্বিসকলে ডিমৰীয়া ৰাজ্যৰ অন্তৰ্গত ৰহা অঞ্চলত থাকিবলৈ যায়; কিয়নো সেই সময়ত সেই ঠাইত তেওঁলোকৰ সজাতীয় মানুহ আছিল।

এসময়ত ৰজা আৰিমত্তই ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে মহাপ্ৰতাপেৰে ৰাজ্য স্থাপন কৰি শাসন কৰি আছিল। কিছুমানে ক'ব খোজে, এখেত গাৰোসকলৰ বংশধৰ আছিল। কাৰ্বি জনগোষ্ঠীয়ে আৰিমত্তক ডিমৰীয়া ৰাজ্যৰ প্ৰতিষ্ঠাপক ৰজা হিচাপে দাবী কৰে। এখেতক ধনশিৰি উপত্যকাৰ কাৰ্বি মুৰব্বী এজনৰ ভাগিন বুলি কোৱা হয়। ডিমৰীয়াত ৰাজ্য স্থাপন কৰি আৰিমত্তই ধনশিৰি উপত্যকাৰ কাৰ্বিসকলক তেখেতৰ দেশলৈ নিমন্ত্ৰণ কৰিছিল। কাৰ্বি পণ্ডিতে ডিমৰীয়া শব্দটোৰ ব্যাখ্যা এনেদৰে কৰিছে— হা-এ-অং=তাৰ-আমাৰ মাতৃপক্ষৰ, ডিম ঃ ভূমি, কে-ৰাই ঃ সংৰক্ষিত কৰি ৰখা। গুৱাহাটীৰ সোণাপুৰ অঞ্চলত ডিমৰীয়া ৰাজ্যৰ বহু স্মৃতিচিহ্ন এতিয়াও আছে। এই অঞ্চলৰ সংলগ্ন মেঘালয় ৰাজ্যৰ ৰিও-ভই জিলাত ৪০% কাৰ্বি জনগোষ্ঠী আছে। এওঁলোক খ্ৰীষ্টান ধৰ্মৰ অনুগামী। মেঘালয় ৰাজ্যত কাৰ্বিসকল জনজাতি হিচাপে স্বীকৃত নহয়। সোণাপুৰ অঞ্চলৰ কাৰ্বিসকলে নিজকে আম্ৰি কাৰ্বি বুলি পৰিচয় দিয়ে আৰু প্ৰায়বোৰে হিন্দুধৰ্ম গ্ৰহণ কৰিছে।

ডিমাচাবিলাকে অত্যাচাৰ কৰাৰ বাবে কাৰ্বিসকলে জয়ন্তীয়া ৰাজ্যৰ নাতিয়াং নামৰ ঠাইলৈ গৈছিল। তাতে থং টেৰং নামৰ অতি শক্তিশালী বীৰ পুৰুষ এজনৰ জন্ম হৈছিল। উক্ত অঞ্চলত জয়ন্তীয়া তথা কাৰ্বিসকলে ৰাস্তাৰ জংঘল চাফা কৰিব লাগিছিল। এই কাম জনৈক দলৈৰ অধীনত চোৰা-চিতা কৰা হৈছিল। কামৰ শেষত মানুহ গণনা কৰাৰ সময়ত কাৰ্বি বনুৱা এজনৰ কপালত দাৰ আঘাত দেখি থং টেৰঙে সেইজন ব্যক্তিক হত্যা কৰে আৰু সেইদিনাৰপৰা কাম বন্ধ হৈ থাকে। ৰজাই থং টেৰঙক ধৰি আনি মল্ল যুঁজাৰুদ্বাৰা যুঁজ কৰোৱাই, উন্মত্ত হাতীৰ সন্মুখত এৰি দি, আনকি অজগৰ সাপ মেলি দি মাৰিবলৈ চেষ্টা কৰে যদিও অসফল হয়। পাচত মন্ত্ৰী-পাৰিষদৰ পৰামৰ্শ মতে তেখেতক ৰাজ্যৰ প্ৰধান সেনাপতিৰূপে নিযুক্ত কৰে। থং টেৰঙৰ নেতৃত্বত জয়ন্তীয়া ৰজাৰ ৰাজ্য বিস্তাৰ হয় আৰু তেখেতে থং নকবে নামেৰে জনাজাত হয় (নকবে মানে পৰাক্ৰমী)। উল্লেখিত সেনাপতিজনৰ বাবে দুজনী কাৰ্বি ছোৱালী বিবাহৰ কাৰণে ঠিক কৰা হয় যদিও নিজৰ ভনীজোঁৱাই (লালুং সম্প্ৰদায়ৰ)ৰ বাধাৰ বাবে উক্ত বিবাহকাৰ্য সম্পন্ন নহ'ল। শেষত নাতিয়াঙৰ দলৈৰ সহযোগত জয়ন্তীয়া গাভৰু এজনীৰ পাণিগ্ৰহণ কৰিলে। জয়ন্তীয়া ৰজায়ো উল্লেখিত থঙৰ ভনী জোঁৱায়েকক বেয়া পাইছিল। ৰাজ আদেশ অনুযায়ী থং নকবে ভনী জোঁৱায়েকক হত্যা কৰি মূৰটো কাটি আনে। যুদ্ধ কৰি ঘূৰি আহোঁতে তেখেতৰ লগত যোৱা সৈনিকসকলৰ লগত এডাল আমগছৰ তলত জিৰাইছিল। সৈনিকসকলৰ অনুৰোধ ক্ৰমে থং নকবে আমগছত উঠি আম পাৰিব ধৰে আৰু সেইখিনি সময়তে গছৰ তলত থকা সৈনিকসকলে তীৰ নিক্ষেপ কৰি তেখেতক হত্যা কৰে। সৈনিকসকলে ভনী জোঁৱায়েকৰ মূৰটো তাতে এৰি থং নকবেৰ কটা মূৰটো লগত লৈ নিয়া মূৰটো জয়ন্তীয়া ৰজাক দান কৰে। ৰজাই থং নকবেৰ মূৰটো চিনি পাই ষড়যন্ত্ৰকাৰী সৈনিকসকলক নিজ হাতেৰে তৰোৱালেৰে কাটে। প্ৰতি বছৰে মৃত সেনাপতিজনৰ স্মৃতিত কলগছ এজোপাক প্ৰতীকী ৰূপত লৈ চাৰিওফালৰপৰা তীৰেৰে বিদ্ধ কৰি স্মৃতি দিৱস পালন কৰিছিল। বৰ্তমান এই প্ৰথা বন্ধ হয় যদিও ব্ৰিটিছ আমোলত ঢাকাৰ প্ৰশাসক ছাৰ চৈয়দ চাদুল্লাৰ নেতৃত্বত চৰকাৰী ৰাজহ সংগ্ৰহৰ বাবে শ্বিলঙত উক্ত তীৰ খেল আৰম্ভ কৰিছিল আৰু বৰ্তমানেও ই চলি আছে।

নৃতাত্ত্বিকভাৱে কাৰ্বিসকল মংগোলীয় গোষ্ঠীৰ আৰু ভাষাগতভাৱে তিব্বত-বৰ্মী মূলৰ। কাৰ্বি ভাষা হ'ল ইয়াৰে এটা প্ৰশাখা। এওঁলোকৰ সমাজ ব্যৱস্থা পিতৃতান্ত্ৰিক। কাৰ্বি আংলঙৰ পশ্চিম অংশ তিনিটা খেলত বিভক্ত— (ক) চিনটং, (খ) ৰংহাং, (গ) আম্ৰি। চিনটং, ৰংহাংসকলে ধনশিৰি উপত্যকাত যায়। আম্ৰি কাৰ্বিসকল নিজৰ ঠাইতে থাকিল বাবে প্ৰথমৰ দুই খেলে তেওঁলোকক সমমৰ্যাদা নিদিছিল; কিন্তু কপিলী উপত্যকাত এনে ধৰণৰ ভেদাভেদ নাই। কাৰ্বিসকলৰ মাজত একে ফৈদৰ মাজত বিবাহ নিষিদ্ধ।

কাৰ্বিসকল (হিন্দু) জড়োপাসক আৰু তেওঁলোকৰ বহুতো

দেৱ-দেৱী আছে। আৰনাম কেঠে ঃ ডাঙৰ ঈশ্বৰ, পেঙ ঃ ঘৰজেউতি, হেম্মফু ঃ ঘৰৰ মূল দেৱতা, মুক্ৰাং ঃ গণৰক্ষক, বেক আলুং বা ইংলুং ঃ ডাঙৰ পৰ্বত বা এজন ঘৰদেৱতা, আৰনাম পাৰ ঃ দেৱতাৰ সমষ্টি। দেৱতাসকলৰ ভিতৰত নীলাচলৰ কামাখ্যা দেৱীও আছে। দেৱ-দেৱীসকলক মদ, গাহৰি, কুকুৰা আদি বলি দি নিজৰ তথা দহৰ উন্নতিৰ লগতে দুৰ্ভাগ্যৰপৰা হাত সাৰিবলৈ পূজা কৰা হয়।

কাৰ্বিসকলে পালন কৰা উৎসৱসমূহ হ'ল— (ক) চজুন, (খ) ৰংকেৰ, (গ) ছক-কেৰই, (ঘ) হাচা-কেকুং, (ঙ) চুমাংকান। উল্লেখিত উৎসৱত বাৰ্থে (জ্যেষ্ঠ দেৱতা) ছৰ, অৰণি (সূৰ্য), হি-ই (অপ-দেৱতা), পাম্মপাৰটক, হৰাতা, বিৰনে (সূৰ্য) আদি দেৱতাক পূজা কৰা হয়।

কাৰ্বিসকলৰ পৰম্পৰাগত প্ৰচলিত গীত-মাতত প্ৰাক্-ঐতিহাসিক প্ৰব্ৰজন, সামাজিক আচাৰ-বিচাৰ, ধাৰ্মিক বিশ্বাসৰ সমল লুকাই আছে। স্বৰ্গ-নৰকৰ কোনো ধাৰণা নাই। মানুহৰ মৃত্যু হ'লে আত্মাই য'ৰপৰা আহিছে, তালৈ যাব লাগিব। মৃতজনৰ আত্মাই তেখেতৰ জীৱিত বংশ-পৰিয়ালে চুমাংকান উৎসৱ পতাৰ পিচতহে পৰমাত্মাৰ লগত মিলিব পাৰিব। এই উৎসৱত কাৰ্বি মহিলাৰ শোকগীত গোৱা পেছাদাৰী দলে প্ৰায় ২০ ঘণ্টামান ধৰি শোকগীত গায়। উক্ত গীতত মানুহৰ আত্মাৰ আগমন আৰু প্ৰস্থান হৈ পৰমাত্মাৰ লগত মিলন হোৱাৰ সুস্পষ্ট পথ নিৰ্দেশনা থাকে। চুমাংকান উৎসৱস্থলীত ডেকা-গাভৰুৱে নাচে। ডেকাসকলে নাচি নাচি জিলি নামৰ ৰূপহী গাভৰু এজনীৰ বিষয়ে প্ৰণয়ৰ গীত গায়। এই গীত পূৰ্বতে যৌনগন্ধী আছিল যদিও বৰ্তমানে ইয়াক পৰিশীলিত ৰূপত প্ৰকাশ কৰা হয়। কাৰ্বিসকল পুনৰ জন্মত বিশ্বাসী আৰু ডেকা-গাভৰুৰ প্ৰণয়ৰ গীতেৰে বিদেহী আত্মাক পুনৰ জন্ম ল'বলৈ আহ্বান জনায়।

'কাৰ্বি ৰামায়ণ' কাৰ্বি জাতিৰ এটা বিশেষ সম্পদ। কাৰ্বিসকলৰ স্বকীয় গীতৰ শৈলীত কাহিনীভাগকো ইয়াত কিছু সালসলনি কৰা হৈছে। এই ৰামায়ণত বনবাসৰ পৰ্বটো নাই আৰু মাৰীচক ৰাৱণৰ মায়াবী ৰূপ বুলি বৰ্ণনা কৰা হৈছে।

ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত জনজাতিসকলক স্বায়ত্ত শাসিত জিলা বা ৰাজ্য সংসদত অনুমোদন কৰি প্ৰদান কৰাৰ ব্যৱস্থা আছে। ১৯৫২ চনত প্ৰতিষ্ঠা হোৱা মিকিৰ হিলচ্ জিলা পৰিষদ দুখন ১৯৬৮ চনত কাৰ্বি আংলং আৰু এন.চি. হিলচ্ (বৰ্তমান ডিমা হাছাও) জিলা পৰিষদ হিচাপে স্বীকৃতি দিয়া হয়। ইতিমধ্যে উক্ত ব্যৱস্থাৰদ্বাৰা খাচিয়া জয়ন্তীয়া পাহাৰ অঞ্চলক অসমৰ অধীনত স্বায়ত্ত শাসিত ৰাজ্য বুলি স্বীকৃতি দিয়া হৈছিল। ১৯৬৯ চনত উক্ত ৰাজ্যক পূৰ্ণ পৰ্যায়ৰ ৰাজ্য হিচাপে ঘোষণা কৰাৰ প্ৰস্তাৱ লোৱাৰ সময়ত স্বৰ্গীয় ছত্ৰসিং টেৰণ, স্বৰ্গীয় ছয়ছয় টেৰণ, স্বৰ্গীয় জয়ভদ্ৰ হাগজেৰ আদি নেতাৰ প্ৰচেষ্টাত কাৰ্বি আংলং আৰু এন.চি. হিলচ্ জিলাৰ পৰিষদ দুখনে অসমৰ লগত থাকে।

বৰ্তমান কাৰ্বি জনগোষ্ঠীৰ সচেতন শিক্ষিত লোকসকলে জাতিৰ ঐতিহাসিক সমলবোৰ প্ৰণালীবদ্ধভাৱে যুগুতাই জগত সভাত নিজৰ জনগোষ্ঠীক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিবলৈ অহোপুৰুষাৰ্থ কৰি আছে। এই উদ্যোগত অসমৰ অন্যান্য সচেতন ব্যক্তিসকলেও প্ৰয়োজনীয় সহায়-সহযোগ কৰাৰ সময় আহি পৰিছে। ❖❖❖


সহায়ক গ্ৰন্থপঞ্জী ঃ

১. Karbi Studies : Volume-I & II (Complied by : Sri Dharam Sing Teron)
২. Akim Karbi Lantham argong : Sri Bidor Sing Kri (Dictionary)
৩. বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচনাৱলী।
৪. ইতিহাসে সোঁৱৰা ছশটা বছৰ ঃ স্বৰ্গীয় সৰ্বানন্দ ৰাজকুমাৰ।


Thinking well is wise,
planning well is wiser, doing well is
wisest and best of all

# বিহুগীতত স্বদেশ-প্ৰীতি, সমন্বয় আৰু সম্প্ৰীতি

ড° ক্ষীবোদ কুমাৰ ঠাকুৰীয়া
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ



'বিহু' অসমীয়াৰ জাতীয় উৎসৱ, সংস্কৃতিৰ প্ৰতীক আৰু আনন্দৰ উৎসৱ। পণ্ডিতসকলৰ আলোচনাৰপৰা বিহু অষ্ট্ৰিক জাতিৰ অৱদান বুলি জানিব পাৰি। বহু বছৰ আগতে হোৱাংহো আৰু ইয়াং-চিকিয়াং নদীৰ পাৰৰপৰা কিছুমান মানুহ গংগা আৰু ব্ৰহ্মপুত্ৰ নদীৰ উপত্যকালৈ আহিছিল। এই কৃষিজীৱী লোকসকলক অষ্ট্ৰিক বুলি পৰিচয় কৰোৱা হৈছে। তেওঁলোকে দুটা উৎসৱ বৰ আড়ম্বৰে পালন কৰিছিল। এটা খেতিত নমাৰ আগতে আৰু আনটো খেতি চপোৱাৰ পিছত। এই উৎসৱ দুটাই গৈ শেষত 'ৰঙালী বিহু' আৰু 'ভোগালী বিহু' নাম পালেহি বুলি অনুমান কৰা যায়।[১]

অষ্ট্ৰিকসকলে বিহুৰ জন্ম দিলেও বিহু সংস্কৃতিৰ পৰিবৰ্ধন আৰু পৰিৱৰ্তনত বিভিন্ন সংস্কৃতিৰ আঁচোৰ পৰিছে। সেই কাৰণে বিহুক সমন্বয়ৰ উৎসৱ বুলিও কোৱা হয়। বিহু উৎসৱৰ লগত আৰ্য্য, অষ্ট্ৰিক, মংগোলীয় বা কিৰাট আৰু আল্পাইন সংস্কৃতি এনেভাৱে মিশ্ৰিত হৈছে যে, তাক আজি বিশ্লেষণী বিচাৰত ফঁহিয়াই দেখুওৱা টান। সংস্কৃতিৰ সমন্বয় আৰু ক্ৰমবিকাশৰ বুৰঞ্জী বিহু উৎসৱৰ বুকুতে সোমাই আছে।[২]

আমাৰ আলোচনাৰ বিষয় হ'ল 'বিহুগীতত স্বদেশ-প্ৰীতি, সমন্বয় আৰু সম্প্ৰীতি' সম্পৰ্কে। উক্ত আলোচনাৰ বাবে নকুল চন্দ্ৰ ভূঞাৰ 'বহাগী' (১৯৫০), আৰু লীলা গগৈৰ 'বিহুগীত আৰু বনঘোষা' (১৯৮৫) এই দুখন গ্ৰন্থক আধাৰ গ্ৰন্থ হিচাপে গ্ৰহণ কৰা হৈছে।

'বিহুগীত' অসমীয়া মৌখিক সাহিত্যৰ অনুষ্ঠানমূলক লোকগীতৰ অন্তৰ্গত। এই মৌখিক সাহিত্যক 'জন-সাহিত্য', 'লোক-সাহিত্য' বুলিও কোৱা হয়। এইবোৰ ৰাইজৰ সাহিত্য, বিশেষভাৱে লিখা-পঢ়া জনা শিক্ষিত মানুহৰ ৰচনা নহয়। জন-সাহিত্যৰ পটভূমি হৈছে গাঁও আৰু পথাৰ, তাৰ প্ৰেৰণা হৈছে জনসাধাৰণৰ সুখ-দুখ, আশা-নিৰাশা, কাম-কাজ, প্ৰেম-বিৰহ ইত্যাদি। এটা বিশেষ সামাজিক আৱেষ্টনী লৈহে এইবিলাকৰ সৃষ্টি হয়। সেই আৱেষ্টনী ভাগি গ'লে গীত-পদবিলাকৰো সাৰ্থকতা টুটে।[৩]

বিহুগীতবোৰ সাধাৰণতে ত্ৰিপদী ছন্দত ৰচিত আৰু ইয়াৰ প্ৰতিটো স্তৱক স্বয়ংসম্পূৰ্ণ। কোনো কোনো স্তৱকত দ্বিতীয় ভাগত মনৰ ভাবটো প্ৰকাশ হয়, প্ৰথম ভাগত কেৱল সেই ভাবৰ লগত ৰজিতা খুৱাই একোটা প্ৰাকৃতিক চিত্ৰ নাথাকি সমগ্ৰ স্তৱকটোতে একক ভাববিশেষ প্ৰকাশ থাকে। বিহুগীতত ব্যৱহাৰ হোৱা 'মই', 'মোৰ' আদি উত্তম পুৰুষৰ একবচনৰ সৰ্বনামে কোনো ব্যক্তি বিশেষক নুবুজায়, সমষ্টিকহে বুজায়।[৪]

স্বদেশ আৰু স্বজাতিৰ প্ৰতি প্ৰেম অসমীয়া জনজীৱনৰ স্বাভাৱিক বৈশিষ্ট্য। বুৰঞ্জীৰ পাতত ইয়াৰ চানেকী পোৱা যায়। পুৰুষৰ সমানে অসমীয়া নাৰীয়েও স্বদেশ-স্বজাতি ৰক্ষাৰ বাবে মাত মাতি আহিছে। খোৰা ৰজাৰ দিনত কোঁচলৈ ওল স্বৰূপে

যেতিয়া বৰগোহাঁইৰ পুত্ৰক দিবলগাত পৰিছিল, তেতিয়া বৰগোহাঁইৰ পত্নী নাংবক্ৰু গাভৰুৱে ৰাজসভালৈ দৌৰি আহি বীৰৰ দৰে কৈছিল— 'তুমিনো কিহৰ বৰগোহাঁই? ভাল, তইঁতে যে ৰণত হাৰিলি, মই যুদ্ধ কৰি চাওঁ। তইঁতৰ টুপী-চোলা, কুন্‌বিন-কুন্‌খা মঞ্জি পিন্ধি কোঁচক যুদ্ধ কৰোঁ। তিৰুতা নে পূতাপু এতেকে মোক জানিবি? তইঁতে মোৰ সাজ পিন্ধিবি।'[৫] মানৰ আক্ৰমণে অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱনত প্ৰচণ্ড আঘাত আনি দিছিল। মানে তিনিবাৰকৈ অসম আক্ৰমণ কৰাত অসমীয়া ল'ৰা-বুঢ়া, ডেকা-গাভৰুৰ জীৱনলৈ আহি পৰিছিল অসহনীয় দুখ-যাতনা। ফলত জনজীৱনত ৰাজনৈতিক চেতনা জাগৃত হ'ল। বিহুগীতত আছে—

'চৰাই ধানে খাবৰ ছিটিকি পৰিবৰ
উস্কৰি পৰিবৰ কণ,
কিনো চাই আছ গগৈ ৰাজখোৱা
মানত ৰাই জিকিলে ৰণ।'

অসমত বিদেশী শক্তি বা আক্ৰমণকাৰীক অসমীয়া মানুহে 'বঙাল' বুলি কৈছিল। আহোম-মোগলৰ যুদ্ধৰ সময়ত আহোম ডা-ডাঙৰীয়া আৰু সেনাপতি সকলোৱে কামাখ্যা ধামত কামাখ্যা গোসাঁনীক 'মাও বঙালখিনিক খাই দিয়া' বুলি স্তুতি কৰি বৰ মাগাৰ কথা জানিব পাৰি।[৬] বিহুগীতত প্ৰকাশ পোৱা 'বঙাল' শব্দৰ যোগেদি জনকবিয়ে সাম্ৰাজ্যবাদী বৃটিছ শাসনৰ কথা, বৃটিছ চিপাহী আৰু অসমীয়া মানুহৰ সংঘাটৰ কথা প্ৰকাশ কৰিব বিচাৰিছে। তলত উল্লেখ কৰা গীতকেইফাকিয়ে এই কথাৰ প্ৰমাণ দিয়ে।

(ক) বঙাল বঙাল কিনো ঐ বঙাল
বঙালে আছিলে চাই;
সাতৰাজ মাৰি একেৰাজ কৰিলে
ল'লে যোৰহাট ঠাই।

(খ) টেকেলি টেকেলি মলামুৱা টেকেলি
টেকেলি পেটৰে ধন;
কিনো চাই আছ হেৰ' ডেকা ল'ৰা
লাগিছে বঙালৰ ৰণ।

(গ) অজালকৈ বাঁহৰে বজাল সমনীয়া
অজালকৈ বাঁহৰ বজাল;
ন শ ন কুৰি চিপাহী গোটাইছে
ৰণলৈ পাতিছে সজাল।

(ঘ) নগাৰে চাঙে চাঙে ফুৰিলি হালকন
নৰাৰ টেপুকচু খাই;
অকৰা নগাই খকৰাই কাটিলে
চিপাহী থাকিলে চাই। —ইত্যাদি

বিদেশীৰ শাসনক কেতিয়াও অসমীয়া জাতিয়ে আন্তৰিকতাৰে ল'ব নোৱাৰে। আনকি বিদেশী বয়-বস্তুৰ প্ৰতিও অসমীয়া জনজীৱনত সহানুভূতি কম আছিল। হুঁচৰি গীতত আছে—

'সৰুসূতাৰ চেলেংখনি বৈ দিয়া সৰু ভনী
নলওঁ মই বিদেশী কাপোৰ ঐ
গোবিন্দাই ৰাম।'

তেনেদৰে অসমীয়া জন-জীৱনত 'কবচ কাপোৰ'ৰ এক বিশেষ স্থান আছিল। শতৰুক পৰাস্ত কৰিবৰ কাৰণে একে ৰাতিৰ



ভিতৰতে এই কাপোৰ বৈ উলিয়াই স্বামী-পুত্ৰক ৰণলৈ পিন্ধাই পঠোৱাৰ পৰম্পৰাও আছিল। কবচ কাপোৰ পিন্ধি গ'লে যেন যুদ্ধত পৰাস্ত নহয়— এই বিশ্বাসে মানুহৰ অন্তৰত প্ৰেৰণা আনি দিছিল—

'চিৰা খুন্দি দিয়া খাওঁ প্ৰাণেশ্বৰী
সান্দহ খুন্দি দিয়া খাওঁ;
ৰাতিৰ ভিতৰত কাপোৰ বৈ দিয়া
শতৰু মাৰিবলৈ যাওঁ।'

বিভিন্ন জাতি-উপজাতিৰ সংমিশ্ৰণ আৰু সমন্বয়ত বৃহত্তৰ অসমীয়া জাতি আৰু অসমীয়া সমাজখনৰ জন্ম হৈছে। বিহুগীতত ইয়াৰ প্ৰতিচ্ছবি দেখা পোৱা যায়। নগা, ডফলা, চুটিয়া, মৰাণ, কোঁচ, কলিতা, নেপালী, কছাৰী, গগৈ, ৰাজখোৱা ইত্যাদি জাতি-উপজাতি আৰু তেওঁলোকৰ মাজত গঢ়ি উঠা সম্প্ৰীতিৰ কথা গীতসমূহত পোৱা যায়।

(ক) নগাৰ চাঙতে পেঁপাটি বজালে
ডফলাই ধৰিলে টকা;

ল'ৰা-বুঢ়া জীয়ৰী    ৰঙতে বলিয়া
ব'হাগৰ বিহুৱা ডেকা।
(খ) আগতনো যায় সেন্দূৰী
পাছতনো যায় পমিলী
মাজতে ঐ নেপালী যায়;
(গ) এচাৰি ভোটাটো    কছাৰী ল'ৰাটো
বাটত পেলাই গ'লি চেঁচু।—ইত্যাদি

বিহু সমন্বয়ৰ উৎসৰ বুলি আগত উল্লেখ কৰি অহা হৈছে। সেয়েহে বিহুৰ লগত সম্পৰ্ক থকা সৰু-বৰ সকলো আচাৰ-নীতিৰ মাজত সমন্বয় সাধিত হৈছে। পেঁপা, টকা, গগনা, পাতিতাল, সুতুলি, ঢোল, বাঁহী আদি বাদ্যযন্ত্ৰবোৰো বিভিন্ন সংস্কৃতিৰ সমন্বয়ত গঢ় লৈ উঠিছে। 'আল্পাইন-অষ্ট্ৰিক জাতিৰ জাতিগত সংমিশ্ৰণ হওঁতে সাংস্কৃতিক সংমিশ্ৰণো হৈছিল আৰু পিছলৈ ইয়ে মংগোলীয় কিৰাতসকলৰ লগ লাগি এটি নতুন ৰূপ গ্ৰহণ কৰে। নাচ-গান আল্পাইনসকলৰ বুলি ধৰিলে, তাৰ লগত বাঁহেৰে সজা মংগোলীয়সকলৰ টকা, পেঁপা, গগনা যোগ হ'ল। ঢোল আকৌ আজিকালিও প্ৰশান্ত মহাসাগৰীয় অষ্ট্ৰিকসকলৰ মাজত দেখা যায়। পৃথিৱীক মাতৃৰূপে কল্পনা কৰাটো, আহাৰ মাজত ৰজঃস্বলা হোৱাটো অষ্ট্ৰিকৰ ধাৰণা। ৰাতি বিহুৰ আনন্দ, উদ্দেশ্য আৰু অনুষ্ঠানৰ লগত পুৰণি অষ্ট্ৰিক, আল্পাইন আৰু মংগোলীয় সংস্কৃতি জড়িত হৈ আছে।'[৭] ওপৰত উল্লেখ কৰা বিহু সম্পৰ্কীয় বাদ্যযন্ত্ৰসমূহৰ লগত নগা, ডফলা, মিৰি, মিচিমি, মিকিৰ আদিৰ ভাল পৰিচয় আছে। সেয়ে 'নগাৰ চাঙত পেঁপাটি বজোৱা' আৰু 'ডফলাই টকা বজোৱা' কথাষাৰৰ যোগেদি জনকবিয়ে তাহানিৰ অসমীয়া সমাজখনৰ সম্প্ৰীতিৰ কথাকে কৈছে। আহোমসকলৰ ৰাজত্বৰ সমছোৱাত এই সম্প্ৰীতিৰ জৰীডাল কটকটীয়া হৈ পৰে। বিশেষকৈ বিভিন্ন জাতি-সম্প্ৰদায়ৰ মাজত বৈবাহিক সম্বন্ধ স্থাপন আৰু বিভিন্ন জাতিৰ লোকক ৰাজকীয় বাব প্ৰদানৰ বাবে। 'কি কৰিব কলিতা কুলে', 'এৰি যাম নিজৰে কুল', 'আইকো এৰিব পাৰোঁ মই চেনাই ঐ, বোপাইকো এৰিব পাৰোঁ' —ইত্যাদি বিহুগীতৰ কলিৰপৰা তদানীন্তন সমাজত বিজাতিৰ মানুহৰ লগত বৈবাহিক সম্বন্ধ স্থাপন হৈছিল বুলি অনুমান কৰিব পাৰি। চুটিয়া লোকৰ লগতো আহোম স্বৰ্গদেউসকলৰ মধুৰ সম্পৰ্ক থকাৰ কথা জানিব পাৰি। বিহুগীতত আছে—

'স্বৰ্গদেৱে আনিলে    চুটিয়া কাঁড়ী ঐ
বুকু বহল বহল চাই;
এঙেঠা ভিৰায়ে    মাৰে শৰ-ধনু
হেদামত সৰকি যায়।'

ৰজাঘৰৰ সৈন্যদলত বিভিন্ন বিষয়ৰ সৈন্য থাকে। ইয়াৰে ভিতৰত কাঢ়ী সৈন্যৰ প্ৰয়োজনীয়তা নোহোৱা নহয়। কিন্তু আহোম স্বৰ্গদেউসকলে কাঁড়ী পদত চুটিয়া লোক নিযুক্তি কৰাৰ কথা জানিব পাৰি। তেনেদৰে মিচিমি মানুহৰ লগতো আমাৰ মানুহৰ লেন-দেন চলি আহিছে, বিশেষকৈ ব্যৱসায়-বাণিজ্যৰ যোগেদি। জনকবিৰ ৰচনাত আছে—

'মিচিমি আহিব    বৰবিহ আনিব
তাকে খাই পাহৰিম তোক।'

মিচিমিৰ উপৰিও 'মৰাণৰ মুচিয়াৰ'ৰ লগতো গঞা ডেকাৰ আন্তৰিকতা আৰু বিশ্বাস আছিল। ঢোলটি অসমীয়া ডেকা-গাভৰুৰ অতি আপোন। কিন্তু বিহুৰ বতৰত ঢোলটি কেনেবাকৈ বেয়া হ'লে মৰাণৰ মুচিয়াৰৰদ্বাৰাহে ভাল কৰিবলৈ যত্ন কৰিছিল।



'ঢোলৰ নাম উৰুলি    ঢোলৰ নাম কুৰুলি
ঢোলতে বিন্ধিলে ঘুণে;
মৰাণৰ মুচিয়া    ঘৰত নাইকিয়া
ঢোলে চাই দিব কোনে?'

বিহুগীতত অসমৰ পাহাৰে-ভৈয়ামে বসবাস কৰা বিভিন্ন জাতি-জনজাতিৰ সুন্দৰ চিত্ৰ দেখা পোৱা যায়। বিভিন্ন জাতি-গোষ্ঠীৰ ভিতৰত বামুণ, গণক, কলিতা আদি জাতিৰ উল্লেখ থকাৰ লগতে পৰ্বতীয়া জনজাতি নগা, ডফলা, মিছিমি, মিকিৰ আৰু ভৈয়ামৰ মিৰিৰ উল্লেখ বিহুগীতবোৰত সঘনে হয়। উল্লেখ্য যে, বিহুগীতত নামনি অসমৰ কোনোটো জনজাতি বা জাতিৰ উল্লেখ পোৱা নাযায়। ইয়াৰ কাৰণ হয়তো নামনি অসমত সমসাময়িকভাৱে